


গুৱাহাটী আৰু নগাঁৰৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৫ ডিচেম্বৰ ২০২৫/১৮ আঘোণ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৩ ● Vol - 14, Issue - 33

# অসম আৰক্ষী আৰু গৃহ বিভাগত ৫,৮১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

## শীঘ্ৰে প্ৰকাশ পাব ৫ হেজাৰ কনিষ্টবল পদত নিযুক্তিৰ বিজ্ঞাপন ঃ মুখ্যমন্ত্ৰী




**দিছপুৰ ঃ** স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰা অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এক অনুষ্ঠানত অসম আৰক্ষী আৰু গৃহ বিভাগত মুঠ ৫,৮১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰে। ইয়াৰে ১৫৬ গৰাকী প্ৰাৰ্থীক আৰক্ষী উপ-পৰিদৰ্শক আৰু সম-পৰ্যায়ৰ পদত, ৫,৪১০ গৰাকী প্ৰাৰ্থীক আৰক্ষী কনিষ্টবল আৰু আৰু সম-পৰ্যায়ৰ পদত আৰু ২৫২ গৰাকী প্ৰাৰ্থীক গৃহ বিভাগৰ চতুৰ্থ বৰ্গৰ পদত নিযুক্তি দিয়া হৈছে। চাহ জনজাতি সম্প্ৰদায়ৰ ১২০ গৰাকী প্ৰাৰ্থীক পৃথকভাৱে অহা ৮ ডিচেম্বৰত নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫, ৮১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ফলত বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে মেধাৰ ভিত্তিত প্ৰদান কৰা নিযুক্তৰ সংখ্যা ১,৪১,১৯৪ গৰাকীলৈ বৃদ্ধি পালে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এসময়ত আৰক্ষীত চাকৰি পাবৰ বাবে ক্ষমতাশালী ব্যক্তিৰ লগত ভাল চিনাকি থকিব লাগিছিল বা টকা-পইচা দিব লাগিছিল। এতিয়া চাকৰি পাবৰ বাবে কেৱল কষ্ট কৰিব লাগে। কাকো এটকাও ঘোচ দিয়াৰ প্ৰয়োজন নাই। অসমত কষ্ট, পৰিশ্ৰম, পঢ়া-শুনা কৰিলেহে চৰকাৰী চাকৰি পাব পাৰে। স্বজন-তোষণৰ জৰিয়তে হোৱা নিযুক্তিৰ বাবে অসমৰ যুৱক-যুৱতীসকল হতাশ হৈ পৰিছিল বুলি মন্তব্য কৰি তেওঁ কয় যে পঢ়া-শুনা কৰি চাকৰি নাপাই বহু যুৱক-যুৱতী বিপথগামী হৈছিল। বহুতে অসমত সংস্থাপনৰ একো সুবিধা নহ'ব বুলি ভাবি বহিঃৰাজ্যত ছিকিউৰিটি গাৰ্ড হ'বলৈ গুচি গৈছিল। এনে পৰিবেশ দেখি যোৱা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সমযত এক লাখ চৰকাৰী চাকৰিত নিযুক্তিৰ প্ৰতিশ্ৰুতি দিয়াৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰ গঠন কৰিয়ে তেখেতে স্বচ্ছ আৰু নিকা পদ্ধতিৰে মেধাৰ ভিত্তিত নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। আৰক্ষী, শিক্ষা বিভাগ, স্বাস্থ্য বিভাগত যাতে কোনো পদ খালী

*১০ পৃষ্ঠাত*

# যমুনামুখত নৱনিৰ্মিত ৰে'লৰে উৰণ সেতু আনুষ্ঠানিকভাৱে উদ্বোধন মুখ্যমন্ত্ৰীৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হোজাই জিলাৰ যমুনামুখত নৱনিৰ্মিত ৰে'লৰে উৰণ সেতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰায় ৮৩ কোটি টকা ব্যয়েৰে নিৰ্মিত এই উৰণ সেতুখনৰ মুঠ দৈৰ্ঘ্য হৈছে ৯৫১ মিটাৰ আৰু গাড়ী চলাচলযোগ্য পথৰ প্ৰস্থ হৈছে ৭.৫০ মিটাৰ। আনহাতে, মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালতে বালিজুৰি চাহ বাগিছাৰ নৱ-নিৰ্মিত আদৰ্শ মাধ্যমিক বিদ্যালয় আৰু কন্দলী চাহ বাগিছা, ধনতোলা চাহ বাগিছা আৰু শগুনবাহী চাহ বাগিছাত নিৰ্মাণ কৰা জগন্নাথ কমিউনিটি হল তথা দক্ষতা কেন্দ্ৰকেইটা আভাষীয়ভাৱে উদ্বোধন কৰে। তদুপৰি তেওঁ বঢ়মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা যমুনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন বিদ্যালয় ভৱন, নগাঁও জলসম্পদ সংমণ্ডলৰ অধীনত কপিলী নদীৰ সোঁ-পাৰে যমুনামুখ চিকামাৰী-মিলনপুৰ অঞ্চলত আৰু বাঁওপাৰে বকুলগুৰিৰ পৰা যমুনামুখ পকী দলং, কপিলী নদীৰ সোঁ-পাৰে যমুনামুখৰ পৰা পতিয়াপামলৈ, কপিলী নদীৰ বাওঁপাৰে যমুনামুখ দলঙৰ পৰা প্ৰেমজান-গোঁসাইগাঁৱলৈ, কপিলী নদীৰ বাওঁপাৰে গোঁসাই গাঁৱৰ পৰা চাইবুক গাঁৱলৈ, কপিলী নদীৰ বাওঁপাৰে পূব কাৱৈমাৰীৰ পৰা বৰচুঙলৈ আৰু হাৰিয়া নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে পলসা-পূব তেতেলিসৰা অঞ্চলত মথাউৰি নিৰ্মাণৰ শিলান্যাস কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো বঢ়মপুৰ বিধানসভা সমষ্টিৰ বাবে এটা উল্লেখনীয় দিন বুলি অভিহিত কৰি কয় যে আজি উদ্বোধন হোৱা এই উৰণ সেতুখনে ডবকা, কামপুৰ আৰু যমুনামুখ ৰে'লৰে ষ্টেচনৰ মাজত সুচল যাতায়াত গঢ়ি তুলিব। আজি আধাৰশিলা স্থাপন কৰা মথাউৰি প্ৰকল্প কেইটাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কামপুৰ, যমুনামুখ আদি অঞ্চল প্ৰতিবছৰে কপিলী নৈৰ বানত প্লাৱিত হয়। ভাষণত তেওঁ অঞ্চলটোত ২০২১ চনত হোৱা প্ৰৱল বানপানীৰ সময়ত ৰে'লযোগে কামপুৰত উপস্থিত হৈ বানাক্ৰান্ত ৰাইজৰ অৱস্থাৰ বুজ লোৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে বঢ়মপুৰ,

*১০ পৃষ্ঠাত*

# তেলেংগানাৰ পৰা অসম ভ্ৰমণলৈ অহা সংবাদ মাধ্যমৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ প্ৰেছ ইনফ'ৰমেশ্যন ব্যুৰোৰ উন্নত যোগাযোগ আৰু তথ্য প্ৰচাৰ আঁচনিৰ অধীনত তেলেংগানাৰ পৰা অসম ভ্ৰমণলৈ অহা সংবাদ মাধ্যমৰ এটা প্ৰতিনিধি দলৰ সৈতে দিছপুৰস্থিত লোকসেৱা ভৱনৰ সভাকক্ষত মত-বিনিময় কৰে। উল্লেখ্য যে তেলেংগানা ৰাজ্যৰ ১১ জনীয়া সংবাদ মাধ্যমৰ এই প্ৰতিনিধি দলটোৱে বিভিন্ন উন্নয়নমূলক কাম-কাজৰ লগতে ৰাজ্যৰ চহকী কলা-সংস্কৃতি প্ৰদৰ্শনৰ উদ্দেশ্যে অসম ভ্ৰমণলৈ আহিছে। এই মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমান ৰাজ্য চৰকাৰৰ বিগত পাঁচ বছৰীয়া শাসনকালত অসমৰ সৰ্বাংগীন বিকাশৰ দিশত গ্ৰহণ কৰা যুগান্তকাৰী পদক্ষেপসমূহৰ বিষয়ে তেলেংগানাৰ পৰা অহা সংবাদ মাধ্যমৰ প্ৰতিনিধি দলটোক অৱগত কৰে। তেওঁ ৰাজ্যখনত বাল্য বিবাহ আৰু বহু বিবাহ নিৰ্মূলৰ বাবে চৰকাৰে গ্ৰহণ কৰা দৃঢ় পদক্ষেপৰ বিষয়ে উল্লেখ কৰি নাৰী সবলীকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে প্ৰতিনিধি

*১০ পৃষ্ঠাত*

# কামৰূপ জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ

**ৰমেন ভৰালী, বংশৰ ঃ** অসম চৰকাৰে যোৱা ১৬ নৱেম্বৰ, ২০২৫ তাৰিখে সমগ্ৰ ৰাজ্যখনত গাহৰিৰ আন্তঃজিলা আদান-প্ৰদানত নিষেধাজ্ঞা আৰোপ কৰি এক জাননী জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলা প্ৰশাসনে আফ্ৰিকান ছোৱাইন ফিভাৰ (এএছএফ)ৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ প্ৰচেষ্টা তীব্ৰতৰ কৰিছে। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দ্বাৰা প্ৰকাশ কৰা নিৰ্দেশটোত সমগ্ৰ অসমত গাহৰিৰ আন্তঃজিলা আদান-প্ৰদান আৰু কামৰূপকে ধৰি সাতখন জিলাত গাহৰিৰ আন্তঃজিলা আদান-প্ৰদানত নিষিদ্ধ কৰাৰ লগতে গাহৰিৰ মাংস বিক্ৰী নিষিদ্ধ কৰা হৈছে। উক্ত জাননী অনুসৰি, ২০২৫ চনৰ জানুৱাৰীৰ পৰা এএছএফ আক্ৰান্ত গাহৰিৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু এই ৰোগটোৱে এতিয়া অসমৰ প্ৰায় সকলো জিলাকে স্পৰ্শ কৰিছে। অক্টোবৰ মাহত পৰিস্থিতি অধিক বেয়া হৈ পৰিছিল তেতিয়া সমগ্ৰ ৰাজ্যখনত ৮৫ টা নতুন ইপিচেণ্টাৰ চিনাক্ত কৰা হৈছিল। কামৰূপত এই প্ৰাদুৰ্ভাৱ এতিয়াও গুৰুতৰ বিষয় হৈ আছে। এই নিৰ্দেশনাৰ জৰিয়তে এ এছ এফ-এ গাহৰি পালন খণ্ডক ধ্বংস কৰি আছে। কামৰূপৰ জ্যেষ্ঠ পশু চিকিৎসা বিষয়া ডাঃ নুৰুল ইছলামে ব্যাখ্যা কৰে যে সজাগতা আৰু নিৰীক্ষণ তীব্ৰ কৰিবলৈ জিলাখনৰ সকলো পশু চিকিৎসা কেন্দ্ৰক সতৰ্ক কৰি দিয়া হৈছে। পশু চিকিৎসা কৰ্মচাৰীসকলক এএছএফৰ দৰে লক্ষণসমূহৰ বাবে জীৱ-জন্তুবোৰক নিবিড়ভাৱে নিৰীক্ষণ কৰিবলৈ, যেতিয়াই সন্দেহজনক ঘটনা ধৰা পৰে নমুনা সংগ্ৰহ কৰিবলৈ আৰু নিশ্চিতকৰণৰ বাবে খানাপাৰাৰ এনইআৰডিডিএললৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁ লগতে কয় যে চৰকাৰৰ নিষেধাজ্ঞা কঠোৰভাৱে পালন কৰাটো নিশ্চিত কৰিবলৈ অসামৰিক প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে আন্তঃজিলা আৰু আন্তঃজিলা গাহৰিৰ আদান-প্ৰদান দুয়োটা নিৰীক্ষণ কৰি আছে। কামৰূপ জিলাই এতিয়ালৈকে এই ৰোগৰ ১৯ টা ইপিচেণ্টাৰ চিনাক্ত কৰিছে। ইতিমধ্যে প্ৰায় এই ৰোগত পাঁচশ গাহৰিৰ মৃত্যু হৈছে আৰু আন ১,৪৬৮টা গাহৰিক নিয়ন্ত্ৰণ অভিযানৰ অংশ হিচাপে বধ কৰা হৈছে। ইতিমধ্যে ক্ষতিগ্ৰস্ত গাহৰি পালক সকলক ১.৩৫ কোটি টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিছে। চলিত প্ৰচেষ্টাক শক্তিশালী কৰিবলৈ, গাহৰিৰ অবৈধ আদান-প্ৰদানৰ বিৰুদ্ধে নিয়মীয়া কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ, জৈৱ সুৰক্ষা ব্যৱস্থা বলৱৎ কৰিবলৈ আৰু জিলাখনৰ দুৰ্বল অঞ্চলসমূহত কঠোৰ সতৰ্কতা বজাই ৰাখিবলৈ শীঘ্ৰেই এখন সমিতি গঠন কৰা হ'ব। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই গাহৰি পালক আৰু জনসাধাৰণক এই ক্ষেত্ৰত সতৰ্ক হৈ থাকি যিকোনো অস্বাভাৱিক ৰোগ বা গাহৰিৰ আকস্মিক মৃত্যুৰ বিষয়ে পশুপালন আৰু পশু চিকিৎসা বিভাগক অৱগত কৰিবলৈ আৰু পৰিস্থিতি নিয়ন্ত্ৰণ নোহোৱালৈকে সকলো নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে।

# হাতীচোং মহাবিদ্যালয়ত 'সৰ্প চিনাক্তকৰণ আৰু উদ্ধাৰ' বিষয়ত বিশেষ কৰ্মশালা সম্পন্ন



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ হাতীচোং মহাবিদ্যালয়ত 'ৱাইল্ড ৱেলফেয়াৰ আছাম'ৰ উদ্যোগত আৰু হাতীচোং মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সহযোগত তথা সৰ্পবন্ধু ভাস্কৰ জ্যোতি বৰাৰ তত্বাৱধানত 'অসমৰ সৰ্প চিনাক্তকৰণ আৰু উদ্ধাৰ' শীৰ্ষক বিষয়ত এক বিশেষ কৰ্মশালা দেওবাৰে অনুষ্ঠিত কৰা হয়। কৰ্মশালাৰ আৰম্ভণিতে অমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদি মহাবিদ্যালয়খনৰ চৌহদত এটি নাহৰ ৰোপণ কৰে সৰ্পবান্ধৱ আৰু প্ৰাক্তন বন্যপ্ৰাণী ৱাৰ্ডেন সৌৰভ বৰকটকীয়ে। লগতে মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যপ্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ লুইত হাজৰিকাই। ইয়াৰ পিছতে কৰ্মশালাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অধ্যাপক তথা সৰ্পবান্ধৱ আৰু প্ৰাক্তন বন্যপ্ৰানী ৱাৰ্ডেন তেজপুৰৰ সৌৰভ বৰকটকীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিকাশ জ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিত নিমন্ত্ৰিত অতিথি ৰূপে হাতীচোং মহাবিদ্যালয়ৰ অধ্যাপক নেকিবুৰ ৰহমান, নগাঁও ছোৱালী কলেজৰ অধ্যাপক নীৰজ বৰা আৰু হাতীচোং মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ আঁচনি বিষয়া অনিমেষ বৰঠাকুৰ উপস্থিত থাকে। কৰ্মশালাত প্ৰশিক্ষণৰ বাবে নগাওঁ জিলাৰ বিভিন্ন প্ৰান্ত প্ৰায় ডেৰ কুৰিৰো অধিক উদীয়মান যুবক-যুবতীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত উপস্থিত থকা প্ৰশিক্ষাৰ্থীসকলক সৰ্পবান্ধৱ আৰু প্ৰাক্তন বন্যপ্ৰানী ৱাৰ্ডেন সৌৰভ বৰকটকীয়ে সাপ উদ্ধাৰৰ ক্ষেত্ৰত কৌশলগতভাৱে প্ৰশিক্ষণ দিয়াৰ সমান্তৰালভাৱে সাপ উদ্ধাৰ কৰাৰ লগতে মানুহৰ মাজত সজাগতাৰ বাৰ্তা দিবলৈ পৰামৰ্শ প্ৰদান কৰে।

# নগাঁৱৰ উৰিয়া গাঁৱত ইতিহাস প্ৰসিদ্ধ সিন্ধুৰা হাজৰিকা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

## চূড়ান্ত খেলত বঢ়মপুৰৰ নৱম অসম সশস্ত্ৰ আৰক্ষী বাহিনী বিজয়ী



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সহযোগত আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ ব্যৱস্থাপনাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ উৎসৰ্গিত ইতিহাস প্ৰসিদ্ধ সিন্ধুৰা হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ যোৱা ৩০ নৱেম্বৰত অনুষ্ঠিত হোৱা ফাইনেল খেলত বঢ়মপুৰৰ নৱম অসম সশস্ত্ৰ আৰক্ষী বাহিনীয়ে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। ডিমৰুগুৰিৰ উদয়ন সংঘ আৰু বঢ়মপুৰৰ নৱম অসম সশস্ত্ৰ আৰক্ষী বাহিনীৰ মাজত বিয়লি অনুষ্ঠিত হোৱা তীব্ৰ উত্তেজনাপূৰ্ণ ফাইনেল খেলত নৱম অসম সশস্ত্ৰ আৰক্ষী বাহিনী, বঢ়মপুৰে ডিমৰুগুৰি উদয়ন সংঘক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি প্ৰতিযোগিতাখনত চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। খেলখনত বঢ়মপুৰ নৱম অসম সশস্ত্ৰ আৰক্ষী বাহিনীৰ হৈ একমাত্ৰ বিজয়সূচক গ'লটো দিয়ে প্ৰিন্স তাঁতীয়ে। ফাইনেল খেলখনৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী সুৰেশ বৰাই। খেলখন পৰিচালনা কৰে কৃষ্ণকান্ত দাসে। লাইনত সহায় কৰে শৈলেন ভূঞা, ৰয়েল ইছলাম আৰু পবিত্ৰ বৰাই। প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মুস্তাক, চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে প্ৰজ্ঞান গগৈ, শ্ৰেষ্ঠ গ'লৰক্ষক হিচাপে ৰোহিত ৰায়, সৰ্বাধিক গ'ল দিওঁতা হিচাপে প্ৰিন্স তাঁতী, শ্ৰেষ্ঠ উদীয়মান খেলুৱৈ হিচাপে মানস জ্যোতি জমিদাৰে পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাখনৰ চূড়ান্ত বিজয়ী আৰু বিজিত দলক নগদ ধন, মানপত্ৰ আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হয়। চূড়ান্ত খেলখন অনুষ্ঠিত হোৱাৰ পূৰ্বে অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰক্ষী বিষয়া তথা প্ৰাক্তন খেলুৱৈ সোন্তি হাজৰিকাই। ইয়াৰ পিছতে উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ জ্ঞাত-অজ্ঞাত প্ৰয়াত সক্ৰিয় কৰ্মীবৃন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই। তাৰ পিছতেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীত 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটো অৰ্ধশতাধিক বাঁহী বাদকে সুৰেৰে পৰিৱেশন কৰে। গীতটো পৰিচালনা কৰে বিশিষ্ট বাঁহীবাদক নৱজ্যোতি বৰা আৰু সংগত কৰে বাদ্যযন্ত্ৰী গুণকান্ত দাসে। জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক শুভজিৎ গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত নগাঁও ক্ৰীড়া সন্থাৰ কোষাধ্যক্ষ তথা জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক অসীম ভাৰাল, ভাৰতীয় ষ্টেট বেংক নগাঁও শাখাৰ উপ প্ৰবন্ধক ময়ূৰ মহন্ত, উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ উপদেষ্টা তথা নাট্যকৰ্মী কমলেশ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ চন্দ্ৰ বনিয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক দীপমণি বৰা, সহকাৰী সম্পাদক প্ৰাগজ্যোতিষ বনিয়া, শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া। কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য দেৱাশীষ দাস, সমাজকৰ্মী হলি শইকীয়া, পদুম বৰুৱা, উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ ক্ৰীড়া সম্পাদক জিতুমনি বৰা, উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰভাত বৰা, সম্পাদক ৰূপৰাম হাজৰিকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ সভাপতি নমিতা বৰা প্ৰমুখ্যে বহু লোক উপস্থিত আছিল।

# শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° যোগেশ ডেকাৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** ২৯ নৱেম্বৰ ২০২৫ চন এক বিশেষ দিন। শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° যোগেশ ডেকাৰবিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উপাধ্যক্ষ গৰাকীয়ে বিগত ৩৫টা বছৰে ছাত্ৰ-ছাত্ৰীসকলক ৰাজনীতি বিজ্ঞানৰ শিক্ষা প্ৰদানৰ লগতেছাত্ৰ-ছাত্ৰীৰ পথ পদৰ্শক হৈ আছিল। তেখেতৰ আদৰ্শ অনুকৰণ কৰি নিজৰ প্ৰতিভাৰে বিভিন্ন ছাত্ৰ-ছাত্ৰী বৰ্তমান প্ৰশাসনিক বিষয়া আদিৰ উপৰিও বিভিন্ন কৰ্মক্ষেত্ৰত জড়িত হৈ আছে। সেই গৰাকী আদৰ্শবান শিক্ষাগুৰুৰ বিদায় সভাতশুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাৰ লগতে অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰী বৃন্দৰ উপৰিও বিভিন্ন অনুষ্ঠান, সংস্থা,বৰ্তমান-প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলোৱে উপাধ্যক্ষ গৰাকীক ফুলাম গামোচা, শৰাই, মানপত্ৰ, গ্ৰন্থৰ টোপোলা আদি বিভিন্ন মৰমৰসামগ্ৰীৰে সম্বৰ্ধনা জনায়।

# মালিগাঁৱত নীলাচল জাতীয় বিদ্যালয়ৰ 'গীত-মাতৰ গধুলি' অনুষ্ঠান

## উত্তৰ- সত্যৰ যুগত সামাজিক মাধ্যমসমূহে সঁচা- মিছাৰ সীমাৰেখা নাইকিয়া কৰিছেঃ পৰেশ বৈশ্য




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** সাম্প্ৰতিক সময়ৰ বহুতো শিক্ষাৰ্থীয়ে মানসিক যন্ত্ৰণাৰ দ্বাৰা আক্ৰান্ত হৈ আছে। ফলত তেনে শিক্ষাৰ্থীয়ে ক্লান্তিৰে ভাৰাক্ৰান্ত হোৱাৰ লগতে অপ্ৰীতিকৰ মানসিক প্ৰতিক্ৰিয়া প্ৰদৰ্শন, ক্ষুধাৰ পৰিৱৰ্তন, সঘনে মনৰ পৰিৱৰ্তন কৰে। ইয়াৰ অন্যতম প্ৰধান কাৰণ হ'ল সামাজিক বিচ্ছিন্নতা। সামাজিক বিচ্ছিন্নতাই শিক্ষাৰ্থীৰ আৱেগ হৰণ কৰিছে। গতিকে অভিভাৱকসকলে নিজৰ সন্তানৰ মানসিক স্বাস্থ্যৰ প্ৰতি সততে সচেষ্ট হৈ থকা উচিত। ৩০ নৱেম্বৰত নীলাচল জাতীয় বিদ্যালয়ে মালিগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা 'গীত-মাতৰ গধুলি ঃ হেঁপাহ -২০২৫-২৬' শীৰ্ষক অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ শিক্ষাবিদ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ কয় যে নিউক্লিয়াৰ পৰিয়াল ব্যৱস্থাত জন্মগ্ৰহণ কৰা শিশুসকলে সমাজে দিব পৰা জীৱনমুখী অভিজ্ঞতা অৰ্জনৰ পৰাও বঞ্চিত হৈ আহিছে। তেওঁ আৰু কয় যে আমাৰ সমাজত উত্তৰ- সত্য কাল চলি আছে। এনে যুগত সামাজিক মাধ্যমসমূহে সঁচা- মিছাৰ সীমাৰেখা নাইকিয়া কৰি পেলাইছে। কৃত্ৰিম বুদ্ধিমত্তাই এই কাৰ্যত আৰু অধিক উচটনি দিছে। সেয়ে অত্যধিক সামাজিক মাধ্যমত ব্যস্ত থকা নতুন প্ৰজন্মই জীৱনত উচিত সিদ্ধান্ত লোৱাৰ দক্ষতা হেৰুৱাব ধৰিছে। তেওঁ শিক্ষাৰ্থীসকলক যথাসম্ভৱ ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ভূপেন্দ্ৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মঞ্জু ৰাণী বৰ্মন, পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ৰুণু ভট্টাচাৰ্য, মালিগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কামেশ্বৰ ডেকা, ৰমণী শৰ্মা, প্ৰকাশ শৰ্মা, কৃতি ভট্টাচাৰ্য প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতাত লাভ কৰা বঁটাসমূহ বিতৰণ কৰা হয়। আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষ ৰাজীৱ কলিতাই বিগত বৰ্ষৰ প্ৰতিবেদন দাখিল কৰি যোৱা বছৰটোত বিদ্যালয়খনে ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচীৰ কথা উল্লেখ কৰে। সভাত পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰা বিদ্যালয়খনে এইবছৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা লাভ কৰাৰ কথাও উল্লেখ কৰা হয়। অনুষ্ঠানত শিক্ষয়িত্ৰী জেতিকা কলিতাৰ নেতৃত্বত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বন্দিতা শৰ্মাই। শলাগৰ শৰাই আগবঢ়ায় নিবেদিতা শইকীয়াই। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# নলবাৰীত কৃষক সজাগতা সভা, কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ অংশগ্ৰহণ




**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত নলবাৰী জিলা প্ৰশাসন আৰু নলবাৰী জিলা কৃষক মৰ্চাৰ সহযোগত নলবাৰী জিলা পুথিভঁৰালৰ ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ২৯ নৱেম্বৰত অনুষ্ঠিত হোৱা 'কৃষক সজাগতা সভা'ত কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ অংশগ্ৰহণ। কৃষক সজাগতা সভাত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই আমাৰ অন্নদাতা সন্মানীয় কৃষকসকলৰ বিভিন্ন অভাৱ অভিযোগ, সমস্যাৰ বুজ লৈ জিলা প্ৰশাসন সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ জৰিয়তে সমাধানৰ প্ৰয়াস কৰে। নলবাৰী জিলা কৃষক মৰ্চাৰ সভাপতি ভ্ৰামৰ মজুমদাৰ ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কৃষক সজাগতা সভাখনত মূলতঃ নলবাৰী জিলাৰ অন্তৰ্গত ১২ টা সাংগঠনিক মণ্ডলৰ ৬০০জন কৃষক উপস্থিত থাকে। নলবাৰী জিলা আয়ুক্ত, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত কৃষকসকলৰ বিভিন্ন সমস্যা পোনপটীয়াভাৱে কৃষকৰ অভাৱ অভিযোগ সম্পৰ্কে আলোচনা কৰাৰ লগতে স্থায়ী সমাধানৰ প্ৰয়াস কৰা হয়। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত অসমৰ কৃষকে আৰম্ভ কৰিছে বিশ্বমুখী কৃষি বিপ্লৱ। সভাত উপস্থিত থাকে নলবাৰী জিলাৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী ডাঙৰীয়া, নলবাৰী জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা ডাঙৰীয়া, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক সঞ্জীৱ বৰা ডাঙৰীয়া, জিলা কৃষক মৰ্চাৰ সভাপতি ভ্ৰামৰ মজুমদাৰ ডাঙৰীয়া, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি ক্ৰমে নিবাৰণ লহকৰ, ৰাতুল পাঠক ডাঙৰীয়া, ৰাজ্যিক সম্পাদক ক্ৰমে অসমী বৰা, হৰ্ষদীপ চৌধুৰী, দিব্যলতা বৈশ্য ডাঙৰীয়ানী, বিশ্বজিৎ বাসাক, কাৰ্যালয় সম্পাদক প্ৰকাশ শইকীয়া ডাঙৰীয়া, ৰাজ্যিক সদস্য ক্ৰমে হৃষিকেশ কলিতা, কাবেন্দ্ৰ ডেকা ডাঙৰীয়া, প্ৰাঞ্জল শৰ্মা ডাঙৰীয়া, নলবাৰী জিলা কৃষক মৰ্চাৰ ১২ টা মণ্ডলৰ মণ্ডল সভাপতিসকল আৰু স্থানীয় কৃষক ৰাইজ।

# মধ্য অসমৰ দুকুৰি উদ্যমী কৃষকৰ কৰ্ম সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন

## এশ বিঘা মাটিত জহা ধানৰ খেতিৰে দৃষ্টি কাঢ়িছে সকলোৰে



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ গ্ৰামাঞ্চলবোৰত এতিয়া চৰম ব্যস্ততামুখৰ পৰিৱেশ। কৃষকৰ আশা-ভৰষাৰ থলী পথাৰসমূহত উপচি পৰিছে সোণালী ধানেৰে। সেয়ে এতিয়া আঘোণৰ পথাৰত সোণোৱালী হৈ পৰা ধানে আশাৰ বতৰা কঢ়িয়াই আনিছে কৃষকৰ মনলৈ। একপ্ৰকাৰে গাঁৱলীয়া চহা জীৱনৰ একমাত্ৰ আশা আঘোণৰ সোণোৱালী পথাৰৰ ধান। সেয়ে সোণগুটিৰে উপচি পৰা আঘোণৰ পথাৰত এতিয়া কৃষকৰ সীমাহীন ব্যস্ততা। কিয়নো, বহু কষ্টৰে উৎপাদিত এই সোণগুটিৰে আগন্তুক বছৰটো সুখেৰে পাৰ কৰাৰ সোণালী সপোন দেখে কৃষকসকলে। উল্লেখ্য, বৰ্তমান ৰাজ্যৰ সৰ্বত্ৰে চহা জীৱনৰ এক মনোমোহা ছবি প্ৰতিফলিত হোৱাৰ সময়তে মধ্য অসমৰ কেইবাগৰাকী উদ্যমী কৃষকৰ কৰ্ম সংস্কৃতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আচলতে, মধ্য অসমৰ নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া হাবিবৰঙাবাৰীৰ গায়নবৰি পথাৰত ৪০ জন কৃষকে এশ বিঘাৰো অধিক কৃষিভূমিত সম্পাদন কৰিছে বিভিন্ন জাতৰ জহা ধানৰ খেতি। স্বাৱলম্বিতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি এইবাৰ অঞ্চলটোৰ এই দুকুৰি কৰ্মোদ্যমী কৃষকে উন্নত জাতৰ জহা ধানৰ খেতি কৰিছে। জানিব পৰা মতে, এইসকল উদ্যমী কৃষকে হাবিবৰঙাবাৰীৰ 'এখোজ কৃষক উৎপাদক কোম্পানী'ৰ সঞ্চালক দীপাংকৰ হাজৰিকা আৰু মৰিগাঁও জিলাৰ জ্যেষ্ঠ কৃষি বিষয়া মুছাহিদ ফাৰুকিৰ সহযোগত কেতেকী জহা, চি আৰ ৯০৯ সুগন্ধি জহা আৰু চেনী জহা ধানৰ খেতি কৰি লাভান্বিত হোৱা পৰিলক্ষিত হৈছে। ইফালে, সম্প্ৰতি সোনোৱালী হৈ পৰা এই জহা ধানৰ পথাৰত সোণগুটি চপোৱাত ব্যস্ত হৈ পৰিছে কৃষক আৰু দাৱনী সকল। কাজেই, এশ বিঘাতকৈ অধিক ভূমিত এনেদৰে জহা ধানৰ খেতি কৰি নৱপ্ৰজন্মৰ বাবে এক নিদৰ্শন দাঙি ধৰা এইসকল কৃষকৰ এনে পদক্ষেপৰ শলাগ লৈছে বিভিন্নজনে। এক কথাত এই পদক্ষেপৰ জৰিয়তে এইসকল কষ্টসহিষ্ণু কৃষক নিশ্চিত ৰূপত স্বাৱলম্বী হোৱাৰ বিপৰীতে কৃষিজীৱী ৰাইজৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি সচেতন মহলে মন্তব্য কৰিছে।

# পঞ্জাৱ নেচনেল বেংকৰ বেবেজীয়া শাখাত ভাষাক লৈ গ্ৰাহকৰ দুৰ্ভোগ

## অসমীয়া ভাষী লোকক নিয়োগৰ দাবী ৰাইজৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াস্থিত পঞ্জাৱ নেচনেল বেংকৰ শাখাটোৰ অধীনস্থ বেবেজীয়া, জামুগুৰি, বিৰহ বেবেজীয়া, মাহৰিআটি, কুজিদাঁহ, ডিমৌ, কুৰুৱাবাহী, চকলাঘাট, ঘাঁহী, দক্ষিণপাট, বৰজহা, মহমৰীয়াকে ধৰি বহুকেইখন গাঁৱৰ ৰাইজ সম্প্ৰতি মহা বিপৰ্যয়ৰ সন্মুখীন হ'বলগীয়া হৈছে। আচলতে, উপৰোক্ত গাঁওসমূহৰ চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা আৰুৰেশৰো অধিক পেঞ্চনাৰৰ লগতে বেংকটোৰ সৈতে জড়িত হৈ থকা গৰিষ্ঠসংখ্যক গ্ৰাহক ৰাইজৰ বাবে বেংকটোৰ শাখা পৰিচালক গৰাকীকে ধৰি কৰ্মচাৰীসকল ৰাইজৰ বাবে অহেতুক সমস্যাৰ সৃষ্টি হৈ পৰা বুলি গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, বেবেজীয়া অঞ্চলৰ জ্যেষ্ঠ নগাঁও নাগৰিকসকলে ইতিমধ্যে প্ৰায় ডেৰ মাহমানৰ পূৰ্বে পঞ্জাৱ নেচনেল বেংকৰ নগাঁও ৰিজিঅ'নেল অফিচত ৰাজহুৱা স্বাৰ্থজড়িত এখন আবেদনৰ দ্বাৰা পঞ্জাৱ নেচনেল বেংকৰ বেবেজীয়া শাখাটোত কৰ্মৰত বিষয়া-কৰ্মচাৰীকে ধৰি অৰ্ধেক কৰ্মচাৰীয়েই হিন্দীভাষী হোৱাৰ বাবে বেংকটোৰে সম্পৰ্কিত স্থানীয় গাঁওবাসী ৰাইজে মত বিনিময়ৰ ক্ষেত্ৰত তীব্ৰ মানসিক অশান্তিত ভুগিবলগীয়া হোৱাত বিকল্প ব্যৱস্থাৰ বাবে আহ্বান জনাইছিল। এই আবেদন গ্ৰহণ কৰি নগাঁৱৰ মুখ্য কাৰ্যালয়ৰ পৰা এসপ্তাহমানৰ ভিতৰতে ইয়াৰ সুব্যৱস্থা কৰা হ'ব বুলি জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি দলটোক আশ্বাস প্ৰদান কৰিছিল। কিন্তু অদ্যাপি সেই আশ্বাস কেৱল আশ্বাস হৈয়ে ৰোৱাত গ্ৰামাঞ্চলৰ ৰাইজ ক্ষুব্ধ হৈ পৰিছে। যাৰ পৰিণতিত আজিও গ্ৰাম্যবাসী চহা গ্ৰাহক লোকসকল যথেষ্ট আহুকালত পৰা পৰিলক্ষিত হয়। সেয়ে বেংকটোত কৰ্মৰত হিন্দীভাষী বিষয়া-কৰ্মচাৰীসকলৰ বিপৰীতে অসমীয়াভাষী লোকক নিয়োজিত কৰি সাধাৰণ ৰাইজৰ সহায় হ'ব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে জ্যেষ্ঠ নাগৰিকসকলৰ লগতে সচেতন ৰাইজে বিভাগীয় উৰ্দ্ধতন কৰ্তৃপক্ষক পুনৰাই আহ্বান জনাইছে।

# হোজাই জিলাত প্ৰথমবাৰলৈ গুৰুজনাৰ অংকীয়া নাট ভাওনা সমাৰোহ অনুষ্ঠিত



**মুকুল গোস্বামী, লংকাঃ** নৱগঠিত হোজাই জিলাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা গুৰুজনাৰ অংকীয়া নাট ভাওনা সমাৰোহে সমগ্ৰ অঞ্চলটোত এক ঐতিহাসিক মুহূৰ্তৰ সৃষ্টি কৰিছে। এই সমাৰোহক কেন্দ্ৰ কৰি লংকা গোঁসাইগাঁৱৰ পৰিৱেশ দুদিন ধৰি পৰিণত হয় এক সাংস্কৃতিক পূণ্যক্ষেত্ৰত। শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ সহযোগত আয়োজিত এই দুদিনীয়া অনুষ্ঠানটো সাংস্কৃতিক ৰূপ-ৰঙত পৰিপূৰ্ণ হৈ সফলভাৱে সম্পন্ন হয়। সমাৰোহৰ শুভাৰম্ভৰ দিনটোতেই মঞ্চখন গুৰুজনাৰ চিৰন্তন কীৰ্তিৰ আলোকেৰে উদ্ভাসিত হৈ উঠে। বৈষ্ণৱ সংস্কৃতিৰ মূল আদৰ্শ, নৈতিক মূল্যবোধ আৰু শাস্ত্ৰীয় সংগীত-নৃত্যকলাৰ নিবিড় সেতুবন্ধনে ভাওনা সমাৰোহখনক এক অপূৰ্ব আকৰ্ষণীয় ৰূপ দিয়ে। দুদিনীয়া এই আয়োজনত শ্ৰীমন্ত শংকৰদেৱৰ চাৰিখন অংকীয়া নাট-কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু কালীয় দমন-পৰ্যায়ক্ৰমে মঞ্চস্থ কৰা দেখা যায়। নাটসমূহ প্ৰদৰ্শন কৰে হোজাই জিলাৰ বিভিন্ন খ্যাতনামা নাট্যগোষ্ঠী-অভিনৱ নাট্যগোষ্ঠী কাকী, অবিনশ্বৰ নাট্যগোষ্ঠী পুৰণিগুডাম নগাওঁ, শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ দল আৰু বড়াৰ পো সাংস্কৃতিক গোষ্ঠীয়ে। প্ৰতিখন নাটকতেই গুৰুজনাৰ কলা-দৰ্শন, আধ্যাত্মিক চেতনা আৰু বৈষ্ণৱ ধৰ্ম-দৰ্শনৰ গাম্ভীৰ্যতা উজাগৰ হয়। মঞ্চ সাজ-সজ্জা, সংগীত, নৃত্য, পৰিধান, মুখাভিনয়-প্ৰতিটো দিশতেই দলসমূহে প্ৰদৰ্শন কৰে শৃংখলাবদ্ধতা আৰু পৰিপক্কতা। সমাৰোহখন উপভোগ কৰিবলৈ অঞ্চলজুৰি লগতে বহুদূৰ-দূৰন্তৰ পৰা নাট্যপ্ৰেমী ৰাইজ উপস্থিত হয়। সন্ধিয়া হ'লেই সমাৰোহস্থলীত দৰ্শকৰ ঢৌ বয়। বয়োজ্যেষ্ঠ, আইমাতৃ, যুৱ সমাজ, ছাত্ৰ-ছাত্ৰী, মহিলা-সকলোৰে উপস্থিতিৰ বাবেই সমাৰোহস্থলী এক আধ্যাত্মিক উৎসৱৰ পৰিবেশত পৰিণত হয়। বহু দৰ্শকে মন্তব্য কৰে যে- 'গুৰুজনাৰ এনে অংকীয়া বৈষ্ণৱী সংগীত-নাটৰ সন্ধিক্ষণ চাবলৈ বহুদিন অপেক্ষা কৰিছিলোঁ। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই এইবাৰ প্ৰকৃততেই অংকীয়া ভাওনা ঐতিহ্যৰ পুনৰ্জীৱন দিলে।' স্থানীয় সমাজসেৱী, সাংস্কৃতিক ব্যক্তিত্ব, বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু গণ্যমান্য ব্যক্তিসকলেও সমাৰোহত উপস্থিত থাকি অনুষ্ঠানটোক সফল কৰি তোলে। অনুষ্ঠানটোৰ আয়োজক শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক গজেন হাজৰিকাই কয় যে এই ধৰণৰ ভাওনা সমাৰোহ আগলৈও নিয়মিতভাৱেই আয়োজন কৰা হ'ব, যাতে নতুন প্ৰজন্মই গুৰুজনাই দেখুৱাই যোৱা বৈষ্ণৱ সংস্কৃতিৰ মূল ধাৰালৈ আগ্ৰহী হয় আৰু গুৰুজনাৰ উপদেশ-উদাত্তবাৰ্তা সমাজলৈ প্ৰসাৰিত হয়। সমগ্ৰ হোজাই জিলাৰ সামাজিক-সাংস্কৃতিক পৰিচয়ক নতুন উচ্চতালৈ লৈ যোৱা এই অংকীয়া নাট সমাৰোহ উৎসৱটিয়ে স্থানীয় ৰাইজৰ মনত আনন্দৰ জোৱাৰ তোলে।

# শোণিতপুৰ জিলা আয়ুক্ত চৰকাৰী আৱাশত নাগচম্পা আৰু চিত্ৰলেখা উদ্যানত নাহৰ ৰোপণ সৰ্পবান্ধৱ সৌৰভ বৰকটকীৰ দলৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমীয়া জাতিৰ স্বাভিমান আৰু বীৰত্বৰ প্ৰতীক মহাবীৰ লাচিত বৰফুকনলৈ সশ্ৰদ্ধ প্ৰণাম। লাচিত দিৱসৰ এই পবিত্ৰ ক্ষণত বৃক্ষৰোপণৰ এক মহান কাৰ্যসূচী হাতত লয় সৰ্পবান্ধৱ সৌৰভ বৰকটকীৰ দলটোৱে। উযানগৰী তেজপুৰৰ বিভিন্ন স্থানত ৰোপন কৰে নাগচম্পা আৰু নাহৰ। বিৰল প্ৰজাতিৰ উদ্ভিদ হিচাপে পৰিচিত নাগচম্পাৰ পুলি ৰোপণ কৰা হয়। শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে চৰকাৰী আৱাসৰ চৌহদত নাগচম্পাৰ পুলি ৰোপণ কৰাৰ লগতে সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়েও ৰোপণ কৰে । প্ৰকৃতিপ্ৰেমী তথা সৰ্পবান্ধৱ নাগচম্পাৰ সন্দৰ্ভত কয় যে প্ৰাচীন কালৰে পৰা নাগচম্পাই ৰোগ নিৰাময় গুণৰ বাবে মানৱ জাতিৰ প্ৰতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ইয়াৰ প্ৰতিটো স্বাস্থ্যসেৱাত উদ্ভিদ ভিত্তিক ঔষধৰ ভূমিকা নিশ্চিত কৰে। সাধাৰণতে 'কেননবল' গছ বুলি জনাজাত এইবিধ গছ ব্ৰাজিল-বাদাম পৰিয়ালৰ সদস্য। এন্টিবায়টিক, এন্টিচেপ্টিক, এন্টি-ইনফ্লেমেটৰী, এণ্টিমাইক্ৰ বিয়াল, এন্টিমাইক্ৰ বেক্টেৰিয়েল, এন্টিবায়'ফিল্ম, এন্টিফাৰ্টিলিটা, এন্টিআৰ্থাইটিক, এন্টিডায়েৰিয়াল, এন্টিপাইৰেটিক, এন্টিটিউমাৰ, এন্টিষ্ট্ৰেছ, এন্টিআলচাৰ, এন্টিডাৰ্মেট ফাইটিক আদি বহু গুণৰ বাবে কেননবল গছে আজি বিশ্বজুৰি চৰ্চা লাভ কৰিছে। নাগচম্পা গছৰ প্ৰায় সকলো অংশই পৰম্পৰাগতভাৱে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে নাগচম্পা সন্দৰ্ভত সমগ্ৰ অসমতে সৰ্প বান্ধৱ সৌৰভ বৰকটকীয়ে নিজাববীয়াকৈ জৰীপ কৰিছিল তেতিয়া প্ৰায় সাত জোপা নাগচম্পা গছ পোৱা বুলি প্ৰকাশ কৰে সংবাদ মহলক আৰু চিত্ৰলেখা উদ্যানত নাহৰৰ পুলি ৰোপণ কৰা হয়। এই বৃক্ষৰোপণ অনুষ্ঠানত জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে প্ৰকৃতিপ্ৰেমী সৌৰভ বৰকটকীৰ প্ৰশংসা কৰে এনে মহান কামৰ বাবে। এই মহান কাৰ্যসূচীত সৰ্পবান্ধৱ সৌৰভ বৰকটকী দলৰ হৈ সভাপতি পুস্পা ডেকা, উপ-সভাপতি মচিনুৰ ৰহমান, উপদেষ্টা টুটুমণি কলিতা আৰু সৰ্পবন্ধু বাপধন দাস আৰু বিশাল মহাতোয়ে অংশগ্ৰহণ কৰে।

# নগাঁৱৰ বেবেজীয়াত জলচ্ছেদ মহোৎসৱত মন্ত্ৰী উৰ্খা গৌড়া ব্ৰহ্ম

## ৰাইজৰ সজাগতাইহে চৰকাৰৰ আঁচনিসমূহ সফল কৰি তুলিব




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াস্থিত ভোগেশ্বৰ হাজৰিকা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সোমবাৰে অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ উদ্যোগত জলচ্ছেদ মহোৎসৱ, ২০২৫ অনুষ্ঠিত কৰা হয়। বিভাগটোৰ বিভিন্ন আঁচনিৰ সন্দৰ্ভত ৰাইজক অৱগত কৰাৰ লগতে জনজাগৰণ গঢ়ি তোলাৰ মানসেৰে আয়োজিত উক্ত মহোৎসৱৰ অনুষ্ঠানত ভূমি সংৰক্ষণ, হস্তঁতাঁত আৰু বয়ন শিল্প আদি বিভাগৰ মন্ত্ৰী উৰ্খা গৌড়া ব্ৰহ্ম মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা ভাষণত জলচ্ছেদ মহোৎসৱৰ মূল উদ্দেশ্যই জনভাগিদাৰী বুলি উল্লেখ কৰি কয় যে--ৰাজস্থানৰ তুলনাত আমাৰ ৰাজ্যত পানীৰ তেনে কোনো সমস্যা নাই। বৰং ইয়াত বৰষুণ হোৱাৰ লগতে বানপানীৰো সৃষ্টি হয়। পিছে পানীৰ সমস্যা নাথাকিলেও আমাৰ ৰাজ্যৰ খেতি-পথাৰ বিলাকত উৎপাদন নোহোৱা কথাটো কিন্তু উল্লেখযোগ্য। কাৰণ আমি পানী সংৰক্ষণ কৰিব পৰা নাই। যাৰ হেতু আধুনিক বৈজ্ঞানিক পদ্ধতিৰে কৃষিভূমিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ দ্বাৰা সম্প্ৰতি চৰকাৰে কৃষকৰ সমস্যাসমূহ দূৰীকৰণৰ ক্ষেত্ৰত পৰিকল্পনা গ্ৰহণ কৰিছে। কৃষক সকল কৃষি অৰ্থনীতিৰ লগত জড়িত বুলি উল্লেখ কৰি মন্ত্ৰী ব্ৰহ্মই লগতে কয় যে--কৃষকসকলৰ সৰ্বাংগীণ উন্নয়ণৰ বাবে আমাৰ চৰকাৰৰ দূৰদৰ্শিতাত বিভাগীয়ভাৱে অহৰহ চেষ্টা চলাই অহা হৈছে। কিন্তু বিভাগে যিমানেই চেষ্টা নকৰক কিয় কৃষক ৰাইজৰ সজাগতাইহে আঁচনি সমূহ সফল কৰি তুলিব। কেইবাখনিও জিলাত মই দেখিছো ৰাইজ সজাগ নোহোৱাৰ বাবেই এই আঁচনি সফল হ'ব পৰা নাই। গতিকে ৰাইজ সজাগ আৰু সচেতন হৈ আঁচনিবোৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিলেহে এই সমূহ আঁচনিয়ে সফলতা লাভ কৰিব। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত কৃষি বিভাগৰ শীৰ্ষ তথা ভাৰতীয় প্ৰশাসনীয় সেৱা বিভাগৰ জ্যেষ্ঠ বিষয়া অৰুণা ৰাজৰিয়াই অংশগ্ৰহণ কৰি তেওঁ নিজ ৰাজ্য ৰাজস্থানৰ কথা উল্লেখেৰে পানীৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত বক্তব্য উপস্থাপন কৰি পানী সংৰক্ষণ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰে উৎসাহ পূৰ্ণ ভাষণ আগবঢ়ায়। উক্ত অনুষ্ঠানতে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা কোকৰাঝাৰ, লখিমপুৰ, মৰিগাঁও, কাৰ্বিআংলং, বাক্সা, বৰপেটা আৰু বঙাইগাঁও প্ৰকল্পক ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম পুৰস্কাৰ হিচাপে জনভাগিদাৰী বঁটা প্ৰদান কৰা হয়। এই বঁটাৰ অধীনত প্ৰকল্পসমূহক মন্ত্ৰী ব্ৰহ্মই চেকযোগে বিশ লাখকৈ টকাৰে পুৰস্কৃত কৰে। ৰাজ্যৰ ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সঞ্চালক প্ৰদীপ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত সাংস্কৃতিক কৰ্মী ভাস্কৰ কলিতাৰ পৰিচালনাত জলচ্ছেদ প্ৰকল্পৰ বিষয়ত এখনি বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে আমন্ত্ৰিত শিল্পী দলৰ দ্বাৰা বড়ো আৰু ঝুমই নৃত্য পৰিৱেশন কৰা হয়। উক্ত অনুষ্ঠানতে জলচ্ছেদ প্ৰকল্পৰ বিষয়ত ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

# নাৰায়ণপুৰত কুমুদ শইকীয়াৰ 'নৈ-পৰীয়া সুহুৰি'



**বিতোপন গগৈ, শিমলুগুৰি ঃ** 'তুমি জোনাকেৰে সজোৱাৰ কথা আছিল/ প্ৰেমৰ পদূলি/ঝাওবনৰ দলিচাত বহি/অঁকাৰ কথা আছিল/বুকুৰ সংগোপন বিষাদৰ ছবি.....'। 'আলাপ' শীৰ্ষক কবিতাত এনেদৰে বাজি থকা কবি-সাংবাদিক কুমুদ শইকীয়াৰ নৈ-পৰীয়া সুহুৰি যোৱা ৩০ নৱেম্বৰত নাৰায়ণপুৰ প্ৰেছ ক্লাৱত উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি বংশী বৰাই। নাৰায়ণপুৰ কাব্য কাননৰ সভাপতি বীৰেন শৰ্মাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানৰ আঁত ধৰে আবৃত্তিকাৰ প্ৰশান্ত জ্যোতি বৰুৱাই। গাম্ভীৰ্যপূৰ্ণ সভাখনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ গিৰীশ ভূঞা, অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন ভূঞা, চিকিৎসা বিষয়া ডাঃ অতুল খাউণ্ড, অৱসৰপ্ৰাপ্ত অধ্যাপক কিৰণ চন্দ্ৰ শৰ্মা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক উপেন বৰুৱা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ চন্দ্ৰ হাজৰিকা, খাদী বৰ্ডৰ অধ্যক্ষ হৰেন দেউৰী, অৱসৰপ্ৰাপ্ত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বিনোদ মৰাং, বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যাপক ড° সত্যেন্দ্ৰ বৰদলৈ, সমাজ কৰ্মী অচ্যুত শইকীয়া, জ্ঞান জ্যোতি একাডেমীৰ অধ্যক্ষ চক্ৰধৰ শইকীয়া আদিৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ ২৬, ২৭ আৰু ২৮ ডিচেম্বৰত যোৰহাটত ৪০ সংখ্যক বাৰ্ষিক সাধাৰণ সভা

**ৰমেন ভৰালী, বংশৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৪০ সংখ্যক বাৰ্ষিক সাধাৰণ সভা যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত আৰু অবিভক্ত শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদসমূহৰ সহযোগত অহা ২৬, ২৭ আৰু ২৮ ডিচেম্বৰত যোৰহাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক প্ৰধান পংকজ বৰ্মনে এক বিবৃতি যোগে জনোৱা মতে ২৬ ডিচেম্বৰত পুৱা ৯ বজাত গছপুলি ৰোপণ, বিয়লি ৪ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাৰ্যনিৰ্বাহক সভা, বিয়লি ৪.১০ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, বিয়লি ৫ বজাত প্ৰতিনিধি শিবিৰ মুকলি কৰিব যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে, বিয়লি ৫.৩০ বজাত প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক উদ্বোধন কৰিব যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আৰু আদৰণি ভাষণ প্ৰদান কৰিব অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ ৰাজখোৱাই, সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন আৰু সন্ধিয়া ৯ বজাত আহাৰ বিৰতি। ২৭ ডিচেম্বৰত পুৱা ৮.৩০ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দ্বীপেন শৰ্মাই, পুৱা ৮.৪৫ বজাত শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ মুকলি কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পংকজ বৰ্মনে, পুৱা ১০ বজাত পুৱাৰ আহাৰ, পুৱা ১১ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দ্বীপেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে, বিশিষ্ট অতিথি হিচাপে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই, সন্মানীয় অতিথি হিচাপে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্ত, যোগেন মহন, পীযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, আমন্ত্ৰিত অতিথি হিচাপে সাংসদ কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন সাংসদ তপন গগৈ, বিধায়ক ৰূপজ্যোতি কুৰ্মী, ভবেন ভৰালী, সুশান্ত বৰগোহাঁই, ভূৱন গাম, ৰেণুপ্ৰমা ৰাজখোৱা আদি, দিনৰ ১.৩০ বজাত আহাৰ বিৰতি, বিয়লি ৩.৩০ বজাত প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক, সন্ধিয়া ৭.৩০ বজাত সংগীত শিল্পী জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সাংসদ গৌৰৱ গগৈয়ে, ২৮ ডিচেম্বৰত পুৱা ৮.৩০ বজাত পুৱাৰ আহাৰ, পুৱা ৯.৩০ বজাত প্ৰতিনিধি সভাৰ অন্তিম বৈঠক, দিনৰ ১.৩০ বজাত দুপৰীয়াৰ আহাৰ। অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ ৰাজখোৱাই জনাইছে।

# লাচিত বৰফুকনৰ জন্মদিন পালন লালুক নাওবৈচা আঞ্চলিক তাই সাংস্কৃতিক উন্নয়ন সমিতিৰ




**বুলমণি বৰি, লখিমপুৰ ঃ** লালুক নাওবৈচা আঞ্চলিক তাই সাংস্কৃতিক উন্নয়ন সমিতিয়ে ২৪ নৱেম্বৰত পহুমৰা তিনিআলিত বীৰ লাচিত বৰফুকনৰ জন্ম বাৰ্ষিকী উদ্‌যাপন কৰে। পুৱা ৭ বজাত লালুক নাওবৈচা আঞ্চলিক তাই সাংস্কৃতিক উন্নয়ন সমিতিৰ সভাপতি টিকেন্দ্ৰজিৎ বৰুৱাই পতাকা উত্তোলন কৰে। পহুমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আদিত্য ফুকনে বন্তি প্ৰজ্বলন কৰে আৰু ভবেনেশ্বৰ ফুকনে জাতীয় বীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ডিজু চাহ বাগিচাৰ জেষ্ঠ পৰিচালক জ্যোতিৰময় কাকতিয়ে জুবিন গাৰ্গৰ স্মৃতিত মুখ্য ৰোপক হিচাপে বৃক্ষ ৰোপণ কৰে। মুকলি সভাত পদ্মেশ্বৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰি কয় মহাবীৰ লাচিত বৰফুকনৰ বীৰত্ব, শক্তিশালী মোগলক খেদি জননী জন্মভূমিৰ শিৰত বিজয়ৰ মুকুট পিন্ধোৱা তাহানিৰ শৰাইঘাটৰ ৰণক আমি সদায়েই স্মৰণ কৰিব লাগিব। শক্তিশালী অতীতৰ গৌৰৱেৰে গৌৰৱান্বিত হৈ বৰ্তমানৰ প্ৰেক্ষাপটত আমাৰ সন্মুখলৈ অহা প্ৰতিটো সমস্যাক প্ৰতিহত কৰিবলৈ আমি লাচিতৰ আদৰ্শৰে উদ্বুদ্ধ হৈ আধুনিক শৰাইঘাটৰ ৰণ জিনিব লাগিব। তাৰ পাছতেই বিশিষ্ট লেখিকা ধনদা দেৱীয়ে বীৰ লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেমৰ সন্দৰ্ভত নিদিষ্ট বক্তাৰ ভাষণ আগবঢ়ায়। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যাপক অনিল হাজৰিকা, লালুক নাওবৈচা আঞ্চলিক তাই সাংস্কৃতিক উন্নয়ন সমিতিৰ মুখ্য উপদেষ্টা বিশ্বেশ্বৰ গগৈ, প্ৰাক্তন বিধায়ক ভূপেন বৰা, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সম্পাদক পুনজ্যোতি বুঢ়াগোহাঁইৰ লগতে কেইবাগৰাকী গণ্য মান্য ব্যক্তিয়ে মহাবীৰ লাচিত বৰফুকনৰ গৌৰৱোজ্জল অধ্যায় আলোকপাত কৰে। অনাতাঁৰ শিল্পী চম্পা বৰিয়ে গীত পৰিৱেশন কৰাৰ লগতে বহুতো কলা কুশলীয়ে গীত নৃত্য কবিতা পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।বন্তি প্ৰজ্বলনেৰে সফল সামৰণি পৰে।

# ১৯ ডিচেম্বৰত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন

**ৰমেন ভৰালী, বংশৰ ঃ** তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন অহা ১৯ ডিচেম্বৰত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰিছে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি অঞ্জন নাথ আৰু সম্পাদক প্ৰাণজিৎ শৰ্মাই এক বিবৃতি যোগে জনোৱা মতে ১৯ ডিচেম্বৰৰ পুৱা ৯ বজাত সংস্থাৰ পতাকা উত্তোলন কৰিব তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি অঞ্জন নাথে, পুৱা ৯.৩০ বজাত শ্বহীদ তৰ্পণ কৰিব তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক অধ্যাপক ডাঃ ৰূপম বৰগোহাঁই, পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰিব তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ জাহানাৰা বেগমে, পুৱা ১০.৩০ বজাত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি অঞ্জন নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰিব তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ কৰুণা হাজৰিকাই, মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহল, সন্মানীয় অতিথি হিচাপে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ মেডিকেল ছ'চাইটিৰ চেয়াৰমেন তথা বিধায়ক গণেশ কুমাৰ লিম্বু, সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সাধাৰণ সম্পাদক নৱজিৎ দাস, তেজপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি তৰুণ নাথ, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি অধ্যাপক ডাঃ ধীৰেন্দ্ৰনাথ চৌধুৰী, তেজপুৰ বিহগুৰিৰ সমাজকৰ্মী দিলিপ বৰা, শোণিতপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰবীন কটকী, স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ফাৰ্মাক'লজি বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ পিনাকী চক্ৰৱৰ্তীয়ে, নিৰ্দিষ্ট বক্তা হিচাপে আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা উপস্থিত থাকিব।

# শৰতৰ পূৰ্ণিমা যোৱা কুৰি দিনৰো বেছি হ'ল, তথাপিও শেষ হোৱা নাই ৰাস উৎসৱ

**জয়ন্ত মুদৈ, নগাঁও ঃ** প্ৰতি বছৰে শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাজ্যজুৰি উদ্‌যাপন কৰা হয় ৰাস মহোৎসৱ। শৰতৰ পূৰ্ণিমাৰ নিশা বিতোপন হৈ পৰে ৰাজ্যৰ চৌপাশ। কেৱল শ্ৰীকৃষ্ণৰ বন্দনাৰে দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত হৈ পৰে ৰাজ্যৰ চৌদিশ। সৰ্বত্ৰে সৃষ্টি হয় উৎসৱমুখৰ পৰিৱেশ। তদ্ৰূপ এইবাৰো সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ প্ৰান্তে প্ৰান্তে যোৱা ৫ নৱেম্বৰৰ পূৰ্ণিমা তিথিত উদ্‌যাপিত হয় ৰাস মহোৎসৱ। নিৰ্ধাৰিত সেই দিনটোৰ পৰাই ৰাস উৎসৱ আয়োজন সমিতিয়ে ঠায়ে ঠায়ে দুইৰ পৰা চাৰিদিনীয়াকৈ এই উৎসৱ উদ্‌যাপন কৰা দেখা যায়। পিছে শৰৎ কালৰ পূৰ্ণিমা তিথি পাৰ হোৱাৰ কুৰি দিনৰো বেছি হ'ল। তথাপি কিন্তু ৰাস উৎসৱক লৈ উৎসাহৰ আতিশয্য বৰ্তমানেও মাৰ যোৱা নাই নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত। উগ্ৰ আধুনিকতাৰ সোঁতত উটি-ভাহি ফুৰা একাংশ সংস্কৃতিপ্ৰেমীয়ে ৰাস উৎসৱৰ আনন্দ যেন উপভোগ কৰি শেষেই কৰিব পৰা নাই। যাৰ পৰিণতিত এইবাৰ পূৰ্ণিমা নহয় অমাৱস্যাৰ নিশাও ৰাস উৎসৱ উদ্‌যাপিত হয় জিলাখনত। যাক লৈ সচেতন একাংশ নগএগৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইসকল নগএগই এইবোৰ দেখি কয় যে- বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত পৰি শৰৎ কালৰ পূৰ্ণিমাৰ পূৰ্বৰ সেই পৰম্পৰাগত ৰাস উৎসৱৰ মাকতাপূৰ্ণ ৰঙীন পৰিৱেশ-পৰিস্থিতি আজিৰ তাৰিখত বিচাৰি নাপালেও এচাম সংস্কৃতিপ্ৰেমীৰ কৃপাতে এইদৰে নিৰ্দিষ্ট দিনৰ বহু পলমকৈ পতা এই ৰাস উৎসৱবোৰ চুবুৰীয়ে চুবুৰীয়ে অৱস্থান কৰিছে। তদুপৰি আজিকালি এই ৰাস উৎসৱৰ অধিকাংশতে দেখা পোৱা নাযায় পুৰণি ঐতিহ্য আৰু মাদকতা। উল্লেখ্য, এনেদৰে দেখাক দেখি বহু পলমকৈ অনুষ্ঠিত কৰা এনে ৰাস উৎসৱে অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ বৰপেৰাত কি সমল গোটাইছে তাৰ সদুত্তৰ নাই কাৰোৰে হাতত। তথাপিও এই উৎসৱ উদ্‌যাপনৰ গইনা লৈ একাংশ উদ্যোক্তাই চান্দা সংগ্ৰহত অকণো কৃপণালী কৰা নাই। কিয়নো, বিভিন্ন ৰাজনৈতিক দলৰ নেতাক উদ্বোধন কৰিবৰ বাবে নিমন্ত্ৰণ কৰি তেওঁলোকৰ পৰা এটা মোটা অংকৰ বৰঙণি সংগ্ৰহ নকৰাকৈও থকা নাই। কাজেই, এনেদৰে উগ্ৰ আধুনিকতাৰ প্ৰভাবত পৰি শৰৎ কালৰ পূৰ্ণিমাৰ ৰাস উৎসৱ এনেদৰে কুৰি দিন পাৰ হৈ যোৱাৰ পিছতো উদ্‌যাপিত হোৱা কাৰ্যই এতিয়া বৌদ্ধিক মহলক চিন্তিত কৰি তুলিছে।

# শিৱসাগৰৰ চ্যুকাফা সভাকক্ষত স্বাস্থ্য সমিতিৰ জিলা ভিত্তিক পৰ্যালোচনা সভা সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত ভৱনৰ চ্যুকাফা সভাকক্ষত যোৱা ২৮ নৱেম্বৰ, শুকুৰবাৰে জিলা আয়ুক্ত আয়ুস গাৰ্গ (ভাৰতীয় প্ৰশাসনিক সেৱা)ৰ সভাপতিত্বত শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ এক জিলা ভিত্তিক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে জিলা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে (অসম অসামৰিক সেৱা)য়ে সভাত উপস্থিত থকা সকলোকে সম্ভাষণ জনোৱাৰ পাছতেই জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাই সভাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে। উল্লেখযোগ্য যে, শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভাখনত স্বাস্থ্য বিভাগৰ প্ৰতিটো সূচাংকৰ লগতে জিলাখনৰ মাতৃ আৰু শিশু মৃত্যুৰ মুখ্য কাৰণ পৰ্যালোচনা কৰি কেইবাটাও অতি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পৰ্যালোচনা সভাত শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ প্ৰতিটো আমব্ৰেলা প্ৰগ্ৰেমৰ ন'ডেল বিষয়া, প্ৰসূতি আৰু শিশু মৃত্যু পৰ্যালোচনাৰ ন'ডেল বিষয়া, জিলা প্ৰতিষেধক বিষয়া, জিলা যক্ষ্মা বিষয়া, ডিমৌ আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, আটাইকেইটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়াৰ লগতে ডি পি এম ইউ আৰু বি পি এম ইউৰ সদস্যসকল উপস্থিত থাকে বুলি জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিছে।

জনতাৰ চৰকাৰ | my GOV মেরী सरकार

সত্যমেৱ জয়তে

অসম চৰকাৰ

# অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদ

## ভাষিক সংখ্যালঘুসকলৰ উন্নয়নৰ লক্ষ্যৰে উল্লেখনীয় খোজ



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

অসম ভাষিক সংখ্যালঘু পৰিষদৰ উন্নয়ন তথা অসমৰ ভাষিক সংখ্যালঘুসকলৰ বিকাশৰ লক্ষ্যৰে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্প ৰূপায়ণৰ উদ্দেশ্যে পৰ্যাপ্ত পুঁজি প্ৰদান কৰাৰ বাবে অসম ভাষিক সংখ্যালঘু পৰিষদৰ তৰফৰ পৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই পৰিষদৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিন ধৰি বিগত চাৰিটা বছৰে ই-ৰিক্সা, চিলাই আৰু ফেশ্বন ডিজাইন মেচিন, পানীৰ ফিল্টাৰ, প্ৰেচাৰ কুকাৰ ইত্যাদি বিতৰণৰ লগতে প্ৰায় ১০০টা সমূহীয়া কেন্দ্ৰ, সাংস্কৃতিক কেন্দ্ৰ, থিয়েটাৰ, স্পৰ্টছ্ পেভিলিয়ন, ছাত্ৰাৱাস আৰু ছাত্ৰী নিবাস, শ্মশান, শ্ৰেণীকোঠা আদি নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থীসকলৰ উচ্চ শিক্ষাৰ বাবে সাহায্য প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

২০২২ চনৰ পৰা অসম ভাষিক সংখ্যালঘু পৰিষদে ৰাজ্যৰ বিভিন্ন স্থানত আড়ম্বৰপূৰ্ণভাৱে ৰবীন্দ্ৰ জয়ন্তী আৰু নেতাজী জয়ন্তী (পৰাক্ৰম দিৱস) উদ্‌যাপন কৰি আহিছে। এই পৰিষদে ভিন ভিন বেচৰকাৰী সংস্থাৰ সহযোগত বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰি আহিছে। উল্লেখযোগ্য যে, পৰিষদে ইতিমধ্যে বাংলা সাহিত্য সভাৰ সৈতে যৌথ প্ৰচেষ্টাৰে অসমীয়া ভাষাৰ বহু পৌৰাণিক গ্ৰন্থ বাংলা ভাষালৈ অনুবাদ কৰিছে।

ধন্যবাদেৰে,
শ্ৰীশিলাদিত্য দেৱ (প্ৰাক্তন বিধায়ক)
অধ্যক্ষ, অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদ

২০২১ চনৰ নৱেম্বৰৰ পৰা ২০২৫ চনৰ নৱেম্বৰলৈ

## অসম ভাষিক সংখ্যালঘু পৰিষদৰ অধীনৰ প্ৰকল্পসমূহ

### ২০২১-২২ চন — প্ৰাপ্ত পুঁজি - ৩.৬৫ কোটি টকা

মুখ্য প্ৰকল্পসমূহ

- কামৰূপ, হয়বৰগাঁও, মৰিগাঁৱত (দুটা) সাংস্কৃতিক প্ৰকল্প - প্ৰত্যেকটোৰ বাবে ৫০ লাখ টকা
- হোজাইৰ শংকৰদেৱ শিশু নিকেতনত শ্ৰেণী কোঠা - ৫০ লাখ টকা
- লামডিঙত প্ৰেক্ষাগৃহ আৰু স্পৰ্টছ্ পেভিলিয়ন - ৫০ লাখ টকা

### ২০২২-২৩ চন — প্ৰাপ্ত পুঁজি - ৪.২ কোটি টকা

মুখ্য প্ৰকল্পসমূহ

- অসমৰ বিভিন্ন ঠাইত ১৫টা সমূহীয়া ভৱন - ১.৫ কোটি টকা
- হোজাইত ইক' পাৰ্ক - ৫০ লাখ টকা
- গুৱাহাটীৰ পল্টন বজাৰস্থিত বেংগলী হাইস্কুলত বিদ্যালয় ভৱন - ৫০ লাখ টকা
- ১২৫টা আত্মসহায়ক গোটলৈ চিলাই/ ফেশ্বন ডিজাইনিং মেচিন - ৪৫ লাখ টকা

### ২০২৩-২৪ চন — প্ৰাপ্ত পুঁজি - ৪.৮৫ কোটি টকা

মুখ্য প্ৰকল্পসমূহ

- শিলচৰত ছাত্ৰী নিবাস (আনুমানিক ব্যয় - ২.৫ কোটি টকা) - ১.২৫ কোটি টকা (মুকলি কৰা পুঁজি)
- প্ৰতিখনত ১.৫লাখ টকাকৈ ১৮৬জনলৈ ই-ৰিক্সা প্ৰদান - ২.৮ কোটি টকা

### ২০২৪-২৫ চন — প্ৰাপ্ত পুঁজি - ৪.৩৯ কোটি টকা

মুখ্য প্ৰকল্পসমূহ

- অসমৰ বিভিন্ন ঠাইত ১৯টা সমূহীয়া ভৱন - ১.৯ কোটি টকা
- টংলাত সাংস্কৃতিক কেন্দ্ৰ আৰু যাত্ৰী নিবাস - ৫০ লাখ টকা
- হোজাইৰ জিলা অসামৰিক চিকিৎসালয়ত ৰোগীৰ বাবে প্ৰতীক্ষা গৃহ - ৩০ লাখ টকা
- বৰপেটা ৰোডৰ ৰামকৃষ্ণ সেৱা আশ্ৰম চৌহদত ছাত্ৰাৱাস- ২৫ লাখ টকা
- তিনিচুকীয়াৰ বেংগলী গাৰ্লছ হায়াৰ ছেকেণ্ডাৰী স্কুলত বিদ্যালয় ভৱন - ২৫ লাখ টকা

### ২০২৫-২৬ চন — প্ৰাপ্ত পুঁজি - ৪.২৭ কোটি টকা (নৱেম্বৰ পৰ্যন্ত)

মুখ্য প্ৰকল্পসমূহ

- ই-ৰিক্সা আৰু মপেড বিতৰণ - ২.২ কোটি টকা
- ১৫টা সমূহীয়া ভৱন - ১.৫ কোটি টকা

## অন্যান্য উল্লেখযোগ্য দিশ

- অসমীয়া ভাষাৰ পৌৰাণিক গ্ৰন্থ বাংলা ভাষালৈ অনুবাদ
- মেধাৱী শিক্ষাৰ্থীলৈ আৰ্থিক সাহায্য
- এম্বুলেঞ্চ বিতৰণ
- ৰাজ্যজুৰি ৰবীন্দ্ৰ জয়ন্তী আৰু পৰাক্ৰম দিৱস উদ্‌যাপন

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# শিৱসাগৰৰ উদ নগৰীয়া আয়ুষ্মান আৰোগ্য মন্দিৰত বিশ্ব এইডছ দিৱস উদ্‌যাপন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ নগৰৰ মাজমজিয়াৰ উদ নগৰীয়া আয়ুষ্মান আৰোগ্য মন্দিৰৰ প্ৰেক্ষাগৃহত ১ ডিচেম্বৰ, সোমবাৰে দিনযোৰা কাৰ্যসূচীৰে 'বিশ্ব এইডছ দিৱস' উদ্‌যাপন কৰা হয়। শিৱসাগৰ জিলা এইডছ নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আৰু জিলা স্বাস্থ্য সমিতিৰ পৃষ্ঠপোষকতাত আয়োজন কৰা বিশ্ব এইডছ দিৱস উপলক্ষ্যে এক সজাগতা সভা অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণ কৰি শিৱসাগৰ জিলাৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাই কয় যে, বিশ্ব স্বাস্থ্য সন্থাৰ দ্বাৰা ১৯৮৮ চনৰে পৰা উদ্‌যাপিত হৈ অহা এই বিশ্ব এইডছ দিৱসৰ মূল উদ্দেশ্য হৈছে বিশ্বত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা এইডছৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ লগতে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা। উল্লেখযোগ্য যে, সঞ্চাকগৰাকীয়ে শিৱসাগৰ জিলাত এইডছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে বুলি কোৱাৰ লগতে এই দিৱস বৰ্ষজোৰা হিচাপে পালন কৰা হ'ব বুলি জানিবলৈ দিয়ে। সভাত জিলা এইডছ নিয়ন্ত্ৰণ কোষৰ বিষয়া ডাঃ দ্বিজেন কোঁচ এ এইডছ ৰোগৰ লক্ষণ আৰু চিকিৎসাৰ বিষয়ে সকলোৰে জানিব লাগিব বুলি ব্যক্ত কৰাৰ লগতে স্বাস্থ্যকৰ্মীসকলে নিজে জানিলেই নহ'ব, এই কথাখিনি যদি আমি সাধাৰণ মানুহৰ মাজলৈ বিয়পাব নোৱাৰো তেন্তে আমি এইডছ প্ৰতিৰোধ কৰাত অগ্ৰগতি লাভ কৰিব নোৱাৰিম বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। দিৱসৰ সভাত কেইবাজনো চিকিৎসা ও স্বাস্থ্য বিষয়াই বিশ্ব এইডছ দিৱসৰ লগত সংগতি ৰাখি সজাগ আৰু সচেতনতাৰ বিষয়ে ভাষণ প্ৰদান কৰে। আনহাতে শিৱসাগৰ জিলা আয়ুক্ত আয়ুস গাৰ্গ (ভাৰতীয় প্ৰশাসনিক সেৱা)এ জিলাখনৰ যুৱপ্ৰজন্মৰ লগতে প্ৰত্যেকগৰাকী নাগৰিকক এইডছ ৰোগৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনাইছে। উক্ত সজাগতা সভাত অতিৰিক্ত মুখ্য চিকিৎসা স্বাস্থ্য বিষয়া ডাঃ অৰুন্ধতী বৰা হাজৰিকা, ডাঃ গায়ত্ৰী সেনাপতি, DSO, IDSP, আই চি টি চিৰ পৰামৰ্শদাতা (Counsellor) নৱজিৎ তালুকদাৰ, আৰোগ্য নাৰ্চিং স্কুলৰ অধ্যক্ষ দুলু আহমেদ, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকন, শিৱসাগৰ জিলাৰ কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক তথা চিকিৎসা বিষয়া, ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰ আৰু চেপ (Shape) বেচৰকাৰী সংস্থাৰ কৰ্মকৰ্তা, শিৱসাগৰ নগৰৰ আশাকৰ্মীসকল আৰু আৰোগ্য নাৰ্চিং স্কুলৰ ছাত্ৰীসকল উপস্থিত আছিল।

# নগাঁৱত অন্তৰা কলাকেন্দ্ৰৰ ৩৫ সংখ্যক বাৰ্ষিক দিন উদ্‌যাপন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো নগাঁৱৰ এখন আগশাৰীৰ শাস্ত্ৰীয় নৃত্যৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান অন্তৰা কলাকেন্দ্ৰৰ উদ্যোগত আৰু সাংস্কৃতিক মন্ত্ৰালয়ৰ সমৰ্থনত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত শাস্ত্ৰীয় নৃত্য অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে প্ৰথমে সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিছবিত বন্তি প্ৰজ্বলনেৰে শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অন্তৰা কলাকেন্দ্ৰৰ প্ৰতিষ্ঠাপক তথা পৰিচালিকা মন্দিৰা ভট্টাচাৰ্যই জানিবলৈ দিয়া মতে -নগাঁৱৰ ফৌজদাৰী পট্টিত অন্তৰা কলাকেন্দ্ৰ নামেৰে নৃত্য প্ৰশিক্ষণ প্ৰতিষ্ঠানটি অৱস্থিত। আমাৰ অনুষ্ঠানটিয়ে ৩৫ বৰ্ষ অতিক্ৰম কৰিলে। মই বহু গৌৰৱান্বিত এই নৃত্য প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ পৰা প্ৰশিক্ষণ লোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়ত নৃত্য প্ৰদৰ্শন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অনাগত দিনসমূহত এই নৃত্য প্ৰতিষ্ঠানৰ পৰা উঠি অহা নৱপ্ৰজন্মই শাস্ত্ৰীয় নৃত্যৰ জৰিয়তে এখন সুকীয়া মঞ্চ পাবলৈ সক্ষম হ'ব বুলি কৈ নগাঁওবাসী ৰাইজলৈ এক বাৰ্তা প্ৰেৰণ কৰে। ইপিনে গুৰু-শিষ্যৰ পৰম্পৰা ৰক্ষাৰ স্বাৰ্থত আয়োজিত শাস্ত্ৰীয় নৃত্য অনুষ্ঠানটিত মন্দিৰা ভট্টাচাৰ্যই কৃষ্ণ যশোদা বিশ্ব দৰ্শন নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি অনুষ্ঠানত অন্তৰা কলাকেন্দ্ৰৰ প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে নগাঁৱৰ ভিন্ন প্ৰান্তৰ পৰা অহা ভালেসংখ্যক নৃত্যশিল্পীয়ে উৰিছি, সত্ৰীয়া, কুছীপুৰী, কথক, ভাৰত নাট্যম নৃত্য প্ৰদৰ্শন কৰি উপস্থিত দৰ্শকৰ মন মোহিত কৰে। নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাই শুভাৰম্ভণি কৰা আৰু অভিনেত্ৰী অশ্ৰুমনি বৰাই আত ধৰা অনুষ্ঠানটিত গুৰু ক্ৰমে-সেউজপ্ৰিয়া গোস্বামী, আলিগুঞ্জন কলিতা মুদিৰা, অদিতি চক্ৰৱৰ্তী, নন্দিতা বেৰ্নাজী, ৰবী চক্ৰৱৰ্তী, আবু বসুমতাৰীৰ উপস্থিত থকাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপৰিও নগাঁৱৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদযাপন

## এক দীঘলীয়া সংগ্ৰামৰ ফলতহে নগাঁও বিশ্ববিদ্যালয়ৰ পতাকাখন উত্তোলিত হৈছেঃ উপাচাৰ্য হিতেশ ডেকা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা নিতুমণি বৰাই আঁত ধৰা নগাঁও বিশ্ববিদ্যালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসত অসম চৰকাৰৰ ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও বিশ্ববিদ্যালয় নগাঁও জিলাখনৰ বিশ্ববিদ্যালয় বুলি মন্তব্য কৰে। বিশ্ববিদ্যালয়ৰ অগ্ৰগতি অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ ওপৰত নিৰ্ভৰ কৰে বুলি মন্তব্য কৰে। বিশ্ববিদ্যালয় এখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা সম্পৰ্কেও মন্তব্য কৰে। প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকাই। বিশ্ববিদ্যালয়খন গঢ়ি উঠাত অৰিহণা যোগোৱা ব্যক্তিসকলক তেখেতে স্মৰণ কৰে। নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই অতিথি হিচাপে অংশগ্ৰহণ কৰি পূৰ্বৰ নগাঁও মহাবিদ্যালয়ৰ গৰিমা অৱগত কৰে। তেখেতে নগাঁও বিশ্ববিদ্যালয়ৰ লগত সকলো সময়তে থকাৰ প্ৰতিশ্ৰুতি দিয়ে। চামগুৰি সমষ্টিৰ বিধায়ক দীপ্লু ৰঞ্জনশৰ্মাই সভাত অংশগ্ৰহণ কৰি নগাঁও মহাবিদ্যালয়ে বহু মানৱ সম্পদ সৃষ্টি কৰি আহিছে আৰু নগাঁও বিশ্ববিদ্যালয়ে মানৱ সম্পদ গঢ়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। ভয়ক অতিক্ৰম কৰি আগুৱাই যোৱাটো সফলতাৰ চাবিকাঠি বুলি শৰ্মাই মন্তব্য কৰে। গুৰু-শিষ্য পৰম্পৰাৰ কথা অৱগত কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাগুৰুৰ হাতত ধৰি আগুৱাই যাব লাগিব বুলি মন্তব্য কৰে। নগাঁও বিশ্ববিদ্যালয় মানৱ সম্পদ গঢ়াৰ কমাৰ শাল হওক বুলিও মন্তব্য কৰে। নগাঁও বিশ্ববিদ্যালয়ে শতিকাজোৰা যাত্ৰা আৰম্ভ কৰিছে, এই যাত্ৰা বিজ্ঞানসন্মত হওক, পৰিকল্পিত হওক বুলি মন্তব্য কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বৰ্তমান ৰয়েল গ্লৱেল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অলক কুমাৰ বুঢ়াগোহাঁই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়, প্ৰতিষ্ঠা দিৱস কেৱল উদযাপনৰ বাবেই নহয়, ভৱিষ্যতৰ ৰূপৰেখা তৈয়াৰ কৰাৰ এক উৎসৱ হ'ব লাগে।

# নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিত উদ্যমিতা আঁচনিৰ অধীনত ৩৩,৬২৫ গৰাকী মহিলা হিতাধিকাৰীক মুখ্যমন্ত্ৰীৰ চেক বিতৰণ

## উদ্যমিতা আঁচনিয়ে মহিলাসকলৰ সন্মান বঢ়াইছে ঃ ড° হিমন্ত বিশ্ব শৰ্মা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ কঠীয়াতলী উন্নয়নখণ্ডৰ অস্থায়ী মুকলি মঞ্চত যোৱা ১ ডিচেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত বঢ়মপুৰ বিধান সভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৩,৬২৫ গৰাকী হিতাধিকাৰীক ১০,০০০ টকাৰ প্ৰাৰম্ভিক পুঁজিৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। এই উপলক্ষে অনুষ্ঠিত হোৱা এক সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয়- কংগ্ৰেছ চৰকাৰে সূঁতা, কম্বল, লুঙী, টুপী আদিৰে উন্নয়ন সাধিবলৈ বৃথা প্ৰয়াস কৰিছিল। কিন্তু আমাৰ চৰকাৰে মহিলা সকলৰ দ্বাৰা উন্নয়ন সাধিব বিচাৰিছো। অৰুণোদয় আঁচনি, পাঁচ কিলোকৈ বিনামূলীয়া চাউল, ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলক যোৱা মাহৰপৰা ১১৭ টকাত ৰ কিলো মচুৰ দাইল, এক কিলো চেনী আৰু এক কিলো নিমখ দিয়া হৈছে যদিও জানুৱাৰী মাহৰ পৰা ১০০ টকাৰ বিনিময়ত তিনি বিধ সামগ্ৰী পাব। আমি মহিলা সকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে উদ্যমিতা আঁচনিৰ জৰিয়তে দহ হেজাৰ টকাকৈ প্ৰদান কৰিছো। যাতে তেওঁলোকৰ এই ধনৰে ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰি পৰৱৰ্তী ব্যৱসায়িক দিশত আগুৱাই যাব পাৰে। নাৰী শক্তিক অধিক স্বাৱলম্বী আৰু শক্তিশালী কৰিবলৈ আমাৰ চৰকাৰৰ এইয়া বিনম্ৰ প্ৰয়াস। যিসকলে মহিলাই উন্নতি কৰি দেখুওৱাব পাৰে সেইসকলক ২৫ হেজাৰ আৰু ৫০ হেজাৰ টকা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে ভাষণত উল্লেখ কৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত আৰু কয় - ৪৪ টা সমষ্টিত আৰু দহ লাখ মহিলাক পৰৱৰ্তী সময়ত আৰু দহলাখ মহিলাক উদ্যমিতা আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব। তেওঁ কয় যে উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলা সকলৰ সন্মান বঢ়াইছে কাৰণ তেওঁলোকে এতিয়া পুৰুষজনৰ ওপৰত নিৰ্ভৰ নকৰি ঘৰ চলোৱাৰ দায়িত্ব পালন কৰিব পৰা হৈছে। আঁচনিৰ কেনেকৈ ব্যৱহাৰ কৰিলে মহিলাসকল লাভবান হ'ব সেই সম্পৰ্কে মুখ্যমন্ত্ৰী গৰাকীয়ে যথেষ্ট উদাহৰণ দি সভাত বুজাই দিয়ে। সভাৰ অন্তত উদ্যমিতা মহিলা গোট সমূহৰ বাবে 'মামা বজাৰ' নামৰ ১৯ বিপনী থকা বজাৰখন শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। সভাত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশী কান্ত দাস, দীপ্লু ৰঞ্জন শৰ্মা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, অতিৰিক্ত মুখ্য সচিব কল্যাণ চক্ৰৱৰ্তী, নগাঁও জিলা আয়ুক্ত দেৱাশীস শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা, তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলী হাজৰিকা, বিজেপি নেতা সুৰেশ বৰা, অগপ নেতা নিৰঞ্জন বৰা, মনিমাধৱ মহন্ত, নৰেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত আছিল।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত বিশ্ব এইডছ দিবস উদ্‌যাপন

**এম হাছিম আলী, ডিব্ৰুগড় ঃ** বিশ্ব এইডছ দিৱস উপলক্ষে ডিব্ৰুগড় চহৰৰ অন্যতম শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত জ্যোতি প্ৰসাদ আগৰৱালা প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এইডছ পালন কৰা হয়। এই বৰ্ষৰ মূল বিষয়বস্তু, 'বিঘ্নতাৰ অৱসান ঘটাই, এইডছ প্ৰতিক্ৰিয়াক ৰূপান্তৰিত কৰোঁ' -শীৰ্ষক বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি মহাবিদ্যালয়ৰ এন এছ এছ গোটে এক বক্তৃতা প্ৰতিযোগীতাৰ আয়োজন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে এইডছ দিৱসৰ তাৎপৰ্য ব্যাখ্যা আৰু এইডছ আৰু এইচ আই ভিৰ পাৰ্থক্য, সংক্ৰমণৰ কাৰণৰ বিষয়ে সবিশেষ জনোৱাৰ লগতে সজাগতাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কি কি কৰিব লাগিব তাৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থকা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰাক্তন কাৰ্যক্ৰম বিষয়া ড° অজিত গোস্বামীয়ে আজিৰ প্ৰজন্মই নিজে সজাগ হোৱাৰ লগতে নিজৰ বন্ধুবৰ্গ, পৰিয়ালৰ সদস্য তথা জনসাধাৰণক এইচ আই ভি, এইডচৰ বিষয়ে সজাগ কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰাৰ লগতে অসম তথা ডিব্ৰুগড় জিলাৰ এইছ আই ভি এইডচ আক্ৰান্ত ব্যক্তিৰ তথ্য দাঙি ধৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতা আৰম্ভ হয়। বক্তৃতা প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ ব্যৱস্থাপনা বিভাগৰ সহকাৰী অধ্যাপক ড° কস্তুৰী শইকীয়া আৰু পৰিসংখ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° অজিত গোস্বামী। ১২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে গৌৰৱ দাস, সৌৰভ দে আৰু ঈশা পলে। প্ৰতিযোগিতাৰ শেষত বিচাৰক ড° শইকীয়াই প্ৰতিযোগীসকলক বক্তৃতা প্ৰদান কৰোঁতে কি কি কথাত বেছি গুৰুত্ব দিব লাগে সেই বিষয়ে বুজাই দিয়ে। বিজয়ী সকলক মহাবিদ্যালয়ৰ অধ্যক্ষৰ দ্বাৰা প্ৰমাণপত্ৰ তথা বঁটা প্ৰদান কৰা হয়। এন এছ এছৰ সক্ৰিয় সদস্য অকলিম খানে আঁতধৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়াই এন এছ এছৰ কাৰ্যক্ৰম বিষয়া ৰিয়া দাসে।

# মানি-মুনি পাতৰ গুণাগুণ



■ শংকৰ দেৱ, দেৰগাঁও

মানি-মুনি পাত হৈছে আমাৰ ৰাজ্যৰ প্ৰায় সকলো ঠাইতে সহজে পোৱা এজোপা ঔষধি গছ। এই গছৰ পাত সৰু, গোলাকাৰ আৰু মিঠা সুগন্ধযুক্ত। আয়ুৰ্বেদ আৰু লোকচিকিৎসাত এই গছৰ বহু ঔষধি গুণৰ বিৱৰণ পোৱা যায়। মানি-মুনি পাতত আছে ভিটামিন A, B, C, আৰু K, লগতে কেলচিয়াম, আয়ৰন, মেগনেছিয়াম আদি প্ৰয়োজনীয় খনিজ পদাৰ্থ। ইয়াৰ প্ৰাকৃতিক গুণে আমাক বহু অসুখৰ পৰা ৰক্ষা কৰে, যেনেকৈ-

**স্মৰণ শক্তি বৃদ্ধিত উপকাৰী**

মানি-মুনি পাত "Brain Tonic" হিচাপে বহুকালৰ পৰা পৰিচিত। ই মগজুৰ স্নায়ুতন্ত্ৰক সক্ৰিয় কৰি স্মৃতি শক্তি বৃদ্ধি কৰে। পঢ়াশালিৰ ছাত্ৰ-ছাত্ৰী বা মানসিক কাৰ্যত সৈতে জড়িত লোকসকলৰ বাবে ই বিশেষ উপকাৰী। নিয়মিত মানি-মুনি পাতৰ ৰস পান কৰিলে মনৰ একাগ্ৰতা বৃদ্ধি হয় আৰু মানসিক ক্লান্তি হ্ৰাস পায়।

**মানসিক উদ্বেগ আৰু বিষণ্ণতা হ্ৰাস**

এই গছত থকা Triterpenoids নামৰ যৌগ মগজুৰ ৰক্ত চলাচল সঠিক কৰি ৰাখে আৰু মানসিক উদ্বেগ (Anxiety) আৰু বিষণ্ণতা (Depression) হ্ৰাস কৰে। ইয়াৰ প্ৰাকৃতিক প্ৰভাৱ মানসিক শান্তি আৰু আনন্দ অনুভৱ কৰাত সহায় কৰে।

জ্বৰ

মানি-মুনি পাতৰ ৰস ১ চামুচ আৰু শেৱালি পাতৰ ৰস ১ চামুচ মিহলাই প্ৰতিদিনে পুৱা সেৱন কৰিলে জ্বৰ শাম কাটে আৰু ঠাণ্ডাত নাক বন্ধ হ'লে বা চৰ্দি হ'লে বহু উপকাৰ পোৱা যায়।

**পেটৰ বিষ আৰু হজম শক্তি বৃদ্ধি**

অলপ পৰিমাণৰ আম গছৰ ছাল, আনাৰসৰ কুমলীয়া পাত, কেঁচা হালধিৰ ৰস, ৪-৫ টা মানি-মুনি গছ শিপাৰে সৈতে ভালকৈ ধুই ৰস উলিয়াই খালি পেটত খালে পেটৰ বিষ ভাল হয়। শিশুৰ ক্ষেত্ৰত ই বেছি কাৰ্যক্ষম।

**ৰক্ত পৰিশোধন আৰু শৰীৰৰ বিষাক্ত পদাৰ্থ দূৰ কৰা**

ই দেহৰ ভিতৰৰ টক্সিন বা বিষাক্ত পদাৰ্থ দূৰ কৰি ৰক্ত পৰিশোধন কৰে। তেজ দুষিত হোৱা অসুখত ভুগিলে মানি-মুনি পাত প্ৰতিদিনে পুৱা খালি পেটত ৪ চাহ চামুচ আৰু ১ চাহ চামুচ মধু, মিচিৰি মিহলাই ৭ দিন খালে তেজ দুষিত হোৱাৰ পৰা আৰোগ্য ফল পোৱা যায়।

**লিভাৰৰ সমস্যা**

প্ৰতিদিনে পুৱা মানি-মুনি পাতৰ ৰস ১ চামচ, ৫-৬ ফোঁটা হালধিৰ ৰস আৰু সামান্য মধুৰস মিহলাই এমাহ খালে লিভাৰৰ সমস্যা ভাল হয়।

মুগ মণ্ডল বা ছালৰ উজ্জ্বলতা বৃদ্ধি

যদি মুখ মণ্ডল বা ছালৰ উজ্বলতা কমি যায় তেনেহ'লে ৫-৬ চাহ চামচ মানি-মুনি পাতৰ ৰস গাখীৰৰ সৈতে মিহলাই খাব লাগে। মানি-মুনি পাতে প্ৰাকৃতিক কোলাজেন উৎপাদন বৃদ্ধি কৰে, যাৰ ফলত ছালৰ যতন আৰু উজ্জ্বলতা বৃদ্ধি কৰে তথা মজবুত আৰু কোমল হয়। ইয়াৰ ৰস নিয়মিত পান কৰিলে বা তেল ৰূপে ব্যৱহাৰ কৰিলে মুখৰ দাগ হ্ৰাস পায়। কিছুমান বিউটি ক্ৰিমত মানি-মুনি ৰসৰ ব্যৱহাৰ কৰা দেখা পোৱা যায়।

এগজিমা, ছালৰ খচখচনি, ছাল ফটা আদি সমস্যাত মানি-মুনি পাত পিচি লগালে দ্ৰুত উপশম হয়।

**মুখৰ ঘা**

মানি-মুনি পাত গৰম কৰি উতলাই কিছু কুহুমীয়া কৰি গাৰগলি কৰিলে মুখৰ ঘাঁ ভাল হয়।

**আঘাত**

দেহৰ কোনো ঠাইত থেতেলা খালে মানি-মুনি পাত অলপ গৰম কৰি আঘাতপ্ৰাপ্ত স্থানত লগালে বহু উপকাৰ পোৱা যায়।

**চুলি সৰা**

অপুষ্টিৰ অভাৱত, ভিটামিনৰ অভাৱত চুলি সৰিলে ৫-৬ চাহ চামুচ মানি-মুনি পাতৰ ৰস গাখীৰৰ সৈতে মিহলাই খালে উপশম ঘটে।

নিদ্ৰাহীনতা আৰু মানসিক ক্লান্তি দূৰ কৰা

যি সকলৰ নিদ্ৰাহীনতাৰ সমস্যা আছে, তেওঁলোকে ৰাতিপুৱাই মানি-মুনি পাতৰ ৰস খালে বা মানি-মুনি পাতৰ চাহ পান কৰিলে দেহ আৰু মন দুয়ো শান্ত হয়। উচ্চ ৰক্তচাপ আৰু হৃদৰোগ নিয়ন্ত্ৰণত সহায় কৰে।

মাণি-মুনি পাতৰ ৰসত থকা প্ৰাকৃতিক এন্টিঅক্সিডেন্টে হৃদযন্ত্ৰৰ শক্তি বৃদ্ধি কৰে আৰু ৰক্তচাপ নিয়ন্ত্ৰণত সহায় কৰে।

**শৰীৰৰ ইমিউনিটি বা ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি**

মাণি-মুনি পাতত থকা প্ৰাকৃতিক ভিটামিন আৰু খনিজ পদাৰ্থই শৰীৰৰ ইমিউনিটি শক্তি বৃদ্ধি কৰে। নিয়মিত মানি-মুনি পাত খালে শৰীৰ সহজে ৰোগাক্ৰান্ত নহয়।

**সাৱধানতা অৱলম্বন**

অতিপ্ৰচুৰ পৰিমাণে মানি-মুনি পাত খালে যকৃতৰ ওপৰত ক্ষতিকাৰক প্ৰভাৱ পৰিব পাৰে।

গৰ্ভৱতী বা স্তন্যদান কৰা মহিলাই চিকিৎসকৰ পৰামৰ্শ লৈ খোৱা উচিত।

ম'বাইল ঃ ৭০০২৭-৮১৮৪১

# আঘোণৰ পথাৰৰ অনুভৱ

■ জ্যোতিমণি শইকীয়া, যোৰহাট



শাওন মাহৰ হেঁপাহে পূৰ্ণতা পোৱা আঘোণ মাহৰ সোণোৱালী পূৰ্ণগৰ্ভা পথাৰখনত ভৰি দি উভতি গলোঁ স্মৃতিয়ে ঢুকি পোৱা অতীতৰ বুকুলৈ...মনলৈ আহিছে গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ গীত আৰু বীৰেন্দ্ৰ নাথ দত্তৰ সুৰীয়া কণ্ঠৰ সেই মন আকৰ্ষণ কৰা গীতটি -

পকা ধানৰ মাজে মাজে  
সৰু সৰু আলি অ' সৰু সৰু আলি  
আলিত পৰি গীত জোৰে  
জাক বালিমাহী অ'  
সৰু সৰু আলি...

আৰু মনলৈ আহিছে... পে পে পে নৰাৰ পেঁপাৰ শব্দৰে আঘোণৰ উখল-মাখল পথাৰ...উভতি গ'লো আঘোণ মাহৰ পথাৰৰ বুকুলৈ... ৰিন্তু, বুবু, পাহি, চিমিয়ে পথাৰত লেচেৰী বুটলি থাকোঁতে নৰাৰ পেঁপাও বজায়। একোবত বুবুৱে বাঁহৰ হুলা মাৰি এডাল লৈ চেছোঁৰ খান্দিবলৈ লাগিল, চেছোঁৰ দেখি গোটেই কেইটাৰ মনত আনন্দৰ সীমা নাইকিয়া হ'ল। পাহিয়ে সিখন পথাৰত থকা জিলিক ৰিঙিয়াই মাতিলে। একেফালে হালি থকা ভোগপ্ৰসাদ, শ'ল পোনা ধানৰ থোকত থকা সেউজীয়া ধানৰ মাহী চিঙি জিলিৰ কপালত ফোঁট দি দিলে।

সিহঁতৰ মাক, খুৰীয়েক, পেহীয়েক, বৰমাক গোট খাই ৰবাবটেঙা কাটি সিহঁতক খাবলৈ মাতিলে। ওচৰতে ম'হ চৰাই থকা হলিৰাম কাই, বগাই কাইও ৰবাবটেঙা খাবলৈ আহিল। আলোচনা হ'ল লেছেৰি বুটলি বনভোজ খোৱাৰ কথা... বুবুহঁতে কিৰিলি পাৰি উঠিল... সিহঁতে ধুমাধুম লেচেৰী বুটলিবলৈ লাগি গ'ল।

আঘোণৰ পথাৰত দাৱনিৰ কাম আছে  
মুঠি মুঠি, কাঁচি কাঁচি ডাঙৰী ডাঙৰী,  
কাম আছেস  
আঘোণৰ পথাৰত কাম আৰু কাম।  
আঘোণৰ আকাশতো উৰুলিৰ ৰাগি আছে  
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি  
আঘোণৰ বাটটোহে কুঁৱলীৰে ঢকা।  
— কেশৰ মহন্ত

ৰাতি জোনাকে-আন্ধাৰে মেন্থল লাইটৰ পোহৰত দেউতাৰ ঘূৰ বঙা, ঘূৰ বগা শব্দৰে মৰণা মাৰি নিশাটো গভীৰ কৰি তোলা আঘোণ মাহৰ দিনবোৰ, বিশেষ কায়দাৰে গোবৰ পেলোৱা দৃশ্য, ওখোন মৰা, পিছ মৰণা পতা, ভঁৰাল ঘৰত ধান ভৰোৱা আদি সকলো কামতে আমিও সহায় কৰা, খেৰবোৰত ওলোটা খৰ মৰা কামবোৰ কিবা উৎসৱৰ দৰেই লাগে। ঘৰে ঘৰে গৈ ন-খোৱাৰ কিমান যে আনন্দ। কেতিয়াবা দুঘৰ-তিনিঘৰ মানত ন-খাব লগীয়া হয়। আজিকালি ন-খাবলৈ কোনেও নমতাই হ'ল। ক'ত যে হেৰাল সেই সুন্দৰ দিনবোৰ।

অ' মোৰ শইচ সোণোৱালী  
আঘোণৰ পথাৰ,  
তোৰ বুকুতে ওমলে  
মোৰ পিতাই,  
প্ৰজন্মই প্ৰজন্মই তোৰ বুকুত  
মেটমৰা ভঁৰাল ঘৰৰ  
সপোন কঢ়িয়ায়...

সময়ত পথাৰৰ লখিমী আনি সকলোৰে ভঁৰাল ঘৰ ভৰি পৰে। পথাৰ উদং হয়। লেচেৰি বুটলি পোৱা ধানৰ সৈতে আৰু ধান গোটাই লৈ ভোজ খোৱাৰ প্ৰস্তুতি চলে। ধান ৰ'দাই ঢেঁকীত খুন্দি চাউল উলিয়াই ভোজ ভাতৰ আয়োজন হয়। উদং পথাৰৰ বনভোজত সকলোৱে ধনে-ধানে, দেহে-কেহে সহযোগ কৰি আনন্দত আত্মহাৰা হয়। টেকেলি ভঙা খেলখন বৰ উপভোগ্য হৈ পৰে। মিলিকি আইতা, সুবৰ্ণ আইতাহঁতে বিহু নাচি আপোনপাহৰা হৈ পৰে।

আজি আৰু সেইদিন নাই। স্মৃতি হৈ ৰৈ গ'ল মাথোঁ হৃদয়ৰ মণিকোঠাত... নৱপ্ৰজন্মৰ বাবে এয়া যেন এক সাধুকথা...এক সাধুকথা...


ক'ত হেৰুৱালোঁ সোণোৱালী শৈশৱ  
এৰি থৈ আহিলোঁ ল'ৰালিৰ চিনাকি ঘাট...  
গাঁৱৰ আলি কেঁকুৰিত পাক খাই ৰয়  
জীৱনৰ মধুময় বাট...  
আঘোণ অ' তোক পাহৰিব নোৱাৰোঁ  
মই যে গাঁৱলীয়া  
বুকুত লৈ ফুৰোঁ চিনাকি মানুহ  
আৰু চিনাকি মাটিৰ সুবাস...।

# সুখী জীৱনৰ বাবে হাঁহিৰ মহত্ব

■ নমিতা দাস  
শুৱালকুছি, শান্তিতোল

কবি আনন্দ চন্দ্ৰ আগৰৱালাদেৱে সুখ নামৰ কবিতাটিত লিখিছিল---

'সুখ সুখ বুলি মানুহ বলিয়া  
নেদেখে সুখৰ মুখ  
সুখ বিচাৰোঁতে পায় সংসাৰত  
দুখৰ উপৰি দুখ'।



ৰসৰাজ বেজবৰুৱাই কৈছিল - ল'ৰাই হাঁহ, বুঢ়াই হাঁহ ডেকাই হাঁহা, ডেকেৰীয়ে হাঁহ। হাঁহি হৈছে সু স্বাস্থ্যৰ ঔষধ স্বৰূপ। পৃথিৱীত এনে কোনো লোক হয়তো নোলাব যিয়ে সকলো ফালে সুখী বুলি নিজকে চিনাকী দিব পাৰে। জীৱন সুখৰ হ'লেই হাঁহিবোৰ লগৰী হৈ পৰে। হাঁহি হৈছে মানুহৰ আভৰণ। জীৱন জীয়াবলৈ সুখ দুখৰ প্ৰয়োজন। জীৱনত যেতিয়া সুখে দেখা দিয়ে তেতিয়া সেই হাঁহিত থাকে অফুৰন্ত মৰম ভাল পোৱা। মিঠা হাঁহি এটাৰে মানুহক জয় কৰিব পাৰি। সুখ দুখ হাঁহি কান্দোনেই হৈছে জীৱন। সুখত হাঁহে স্ফূৰ্তি কৰে। দুখত দুখী হয় কান্দোন ওলায়। সুখৰ সময়ত যদি আমি সুখখিনি অনুভৱ কৰিব নোৱাৰো মানে প্ৰকৃতাৰ্থত সেই সুখখিনিৰ প্ৰতি হৃদয়ৰ কোনো সম্পৰ্ক নাথাকে তেতিয়াহ'লে সেই হাঁহিত কোনো মহত্ব নাথাকে। আনক দেখুৱাই আমি হাঁহিব পাৰোঁ কিন্তু সেই হাঁহিৰ উজ্জ্বলতা নেথাকে, কোনো মহত্ব নাথাকে খোলাকৈ হাঁহিও নোলায়। হাঁহিত স্বাৰ্থ থাকে তেতিয়া। যি কোনো সময়ত পৰিৱেশৰ ওপৰত গুৰুত্ব দিহে আমি আমাৰ হাঁহি উপস্থাপন কৰিব পাৰো। সকলো সময়ৰ হাঁহিৰ মহত্ব বেলেগ বেলেগ। উৎসৱ মুখৰ পৰিৱেশে হাঁহিৰ হাঁহিত যি ৰহণ সানে দুখৰ সময়ত সেই হাঁহি অৰ্থহীন হৈ পৰে। হৃদয় খুলি হাঁহিব পৰাটোও হৈছে এক মহত্ব। শিশু এটিৰ হাঁহিয়ে হৃদয় শাত পেলায় সেই একেই শিশুটোৰ সৰু কালিৰ হাঁহিৰ মহত্ব আৰু ডাঙৰ হোৱাৰ লাগে লগে হাঁহিৰ মহত্ব একে নহয়।

হৃদয়ৰ নিভৃত কোণৰ পৰা ওলোৱা হাঁহি আৰু স্নেহৰ বান্ধোনেৰে বান্ধ খাই পৰা অভিজাত্যৰ কোনো প্ৰয়োজন নোহোৱা জীৱন এটিৰ যেতিয়া ৰঙীন হয় তেতিয়াৰ হাঁহি সুখবোৰে জীৱন ৰঙীন কৰে সেই হাঁহিতে মহত্ব থাকে। সুখবোৰ আমি নিজেই আৰ্জি লওঁ। কি কি কথাত আমি সুখ অনুভৱ কৰো সেইটো আমাৰ মস্তিষ্কত স্থিৰ কৰি থৈ দিওঁ কোনো লোকে আমাক ভাল বুলি সুন্দৰ প্ৰসংশা কৰাৰ লগে লগে মনটো ভৰি পৰে ভাল লাগে আৰু যদি কোনোৱে বেয়া বুলি কয় আমাৰ বেয়া লাগে আমাৰ ভাল লগা বেয়া লগাবোৰতো আমি তেতিয়া আনৰ ওপৰত নিৰ্ভৰ কৰো কাৰণ ভাল লগা বুলি কোৱাৰ সময়ত আমি আমাৰ মস্তিষ্কত সেই ভাব সুমুৱাই তেখেতে কোৱা কথাখিনিৰে উৎফুল্লিত হৈ পৰো তেতিয়া সুখানুভূতিয়ে হৃদয়ত ঝংকাৰ কৰে আনফালে বেয়া লগা বুলি ক'লে হৃদয় বিষাদেৰে ভৰে। তাৰ মানে আমি আমাৰ ভাল লগা বেয়া লগাবোৰ আনৰ ওপৰত এৰি দিছো যেন অনুভৱ হয়। আচলতে সেইটো কেতিয়াও হ'ব দিব নালাগে নিজৰ দৃষ্টিৰে ভাল লগা বেয়া লগাবোৰ বিচাৰ কৰিব পাৰিলেহে প্ৰকৃততে হাঁহিৰ মহত্ব ফুটি উঠি সুখী জীৱন যাপন কৰিবলৈ সহজ হৈ পৰিব।

## আঘোণৰ দাৱনীজনী

**প্ৰবীণ কুমাৰ টায়ে**
লালুক, লখিমপুৰ

পুৱাই সদায় আহে
আঘোণৰ দাৱনীজনী
মোৰ ঘৰৰ কাষৰ
সোণোৱালী ধাননিলৈ
এজনী অচিনাকি পৰী আহে
পুৱাই কুঁৱলী ফালি
ধান কটা চলেৰে
পথাৰলৈ বুলি
পুৱাই সাৰপাই
খিৰিকীখন খুলি
চকুজুৰি মোহাৰি চাওঁ
সদায় তাইক দেখা পাওঁ
তাই সেই সু-মধুৰ মৌ সনা হাঁহিটি
বুকুৰ মাজত যিমানেই দুখ
নাথাকক কিয়
তাই মুখত সদায় মিঁচিকিয়া
হাঁহিটি দেখা পাওঁ
সোণসেৰীয়া ধাননি দৰাক
গোচিবোৰ কাটি
মুঠি মুঠি কৈ যেতিয়া ৰাখে
আবেলি মই ডাঙৰি বন্ধা
চলেৰে কাষলৈ যাওঁ
চুচুক-চামাককৈ
তাই কটা ধানৰ মুঠিবোৰ
উঠাই ডাঙৰি বান্ধো
এভাৰি- দুভাৰিকৈ
তাই মোক দেখিলে
তলমূৰ কৰি ফৰিং
ধৰা অভিনয় কৰে
আৰু মই
কান্ধত ধানভাৰিলৈ
ঘৰমুৱা হওঁ
আঘোণৰ ধাননি
সেউজী ধৰণী
কেতিয়াও পাহৰিব
নোৱাৰি
ক'ব লাগিছিল
কিন্তু
কেনেকৈ কওঁ
তাইক ভালপাওঁ বুলি
ক'ব ভয় লাগে
সদায় ক'ম ক'ম
বুলি ভাবো ক'ব নোৱাৰো
তাইক দেখিলে হৃদয়খন
বিষাই আহে
তাই হাঁহিটিয়ে
জ্বলাই জ্বলাই মাৰিছে মোক।

## অধৰ্মিক মৰম

**চিমী বৰুৱা,** মৰিগাঁও

জনা নাছিলোঁ-
মানুহ এজনৰ বাবে
আঁঠুৰ ওচৰত চুই চুই
অশ্রু বোৱাব লাগিব বুলি।
নিজকে হেৰুৱাই
অন্যজনৰ চিন্তাৰ আঁচলত
এতিয়া ইমান নিমজাব লাগিব বুলি
কল্পনাতো নাছিল কেতিয়াও।
কিমান সলনি কৰে মানুহক
এই মৰম নামৰ নীৰৱ শক্তিয়ে-
অনুভৱবোৰক নিৰে আঁচুৰি ধৰে,
হিয়াৰ সকলো দ্বাৰ উলি-ধলি বাগৰিব খোজে।
প্ৰতি ৰাতি, নীৰৱতাৰ মাজত,
তেওঁৰ নামটো আহে নিভৃতিতে-
ভাবি ভাবি শুকুৱা নিশবোৰো
এতিয়া নীৰৱ বেদনাৰ সঙ্গী।
মোৰ বুকুৰে একো গোপন নহয়,
মাত্ৰ এটা কথাই প্ৰতি নিশাই কয়-
মৰমে সলনি কৰিব পাৰে মানুহক,
কিন্তু পাহৰা?
সেয়া সেইজনৰ দৰে সহজ নহয়।

ম'বাইল ঃ ৭০৯৯৭-৪৭৬৪৩

## প্ৰেয়সী

**এ.আৰ ৰহমান**

একবিংশ শতিকাৰ বিক্ষিপ্ত পৃথিৱীৰ কঠিনতম ক্ষণত
হেৰুৱা বাটৰ স্থিৰতাৰ শেষ প্ৰান্তত
তুমি যেন মোৰ বাবে বিচাৰি পোৱা এক মৌন উপহাৰ
মোৰ সমস্ত সত্তা এতিয়া
তোমাৰ নিভৃত কাৰাগাৰত গভীৰভাৱে বন্দী
য'ত মুক্তিৰ সাংকেতিক ভাষা তুমি
প্ৰতিধ্বনিৰ আৱৰণতো নিহিত কেৱল তুমি
মোৰ আধুনিক চিন্তাৰ প্ৰতিটো স্থাপত্য
তোমাৰেই হাতত গঢ় লওক, সুদৃঢ় হওক
মোৰ প্ৰতিটো হতাশাৰ বিষাক্ত বীজ
তোমাৰ আধ্যাত্মিক স্পৰ্শত পৰিশুদ্ধ হওক
তুমি মোৰ জীৱনৰ অজ্ঞাত লিপিৰ সেই অন্তিম আখৰ
যাৰ পৰিসমাপ্তিৰ পিছত
পুনৰ আৰম্ভণিৰ কোনো অৱকাশ নাই
তুমি মোৰ প্ৰাথমিক উন্মেষৰ দীপ্তিময় জ্যোতি
পৰম পূৰ্ণতাৰ নিৰ্মল শান্তি
মোৰ সমস্ত মুক্ত ব্যাকুলতা, সুপ্ত দুৰ্বলতা

সকলো তোমাৰেই চৰণত অৰ্পিত
তুমি মোক সেইদৰে সঁহাৰি দিবা
যেনেদৰে নিশাৰ মৌনতাই দিয়ে দূৰৈৰ বাঁহীৰ সুৰক
তুমি মোক সেইদৰে ধাৰণ কৰিবা
যেনেদৰে বসন্তই কৰে ন-কুঁহিপাত
তুমি মোক সেইদৰে গ্ৰহণ কৰিবা
যেনেদৰে সাগৰে গ্ৰহণ কৰে ধুমুহা-তাণ্ডৱ
মোৰ প্ৰতিটো ক্ষুদ্ৰ ভুল

যেন যুদ্ধ যুগৰ এক অনিবাৰ্য ৰূপান্তৰ
আৰু তোমাৰ সহানুভূতিৰ স্পৰ্শ
সেই বিপ্লৱী ক্ষতৰ একমাত্ৰ উপশম
তুমি মোৰ বাবে কেৱল প্ৰণয়ৰ অকুণ্ঠ স্ৰোত নহয়
তুমি মোৰ অবিনাশী প্ৰাঞ্জল পোহৰ
যি অন্ধকাৰৰ নিয়ম ফালি নিজৰ স্বচ্ছ জ্যোতি প্ৰকাশ কৰে
প্ৰেয়সী...!
তোমাৰ হাততেই মোৰ পুৰণি আত্মাৰ নৱজন্ম হওক
তোমাৰ নিৰন্তৰ সান্নিধ্যতেই মোৰ ভৱিষ্যতৰ নিৰ্জন স্বৰ্গ নিৰ্মাণ হওক।

ম'বাইল ঃ ৯৭০৭১-৫৯৩৬৬

## মই তেওঁলোকৰ কবি

**ড° জিন্টুমনি বৰা**

মই তেওঁলোকৰ কবি
যি মোৰ কবিতা প্ৰকাশ কৰে,
যি মোৰ কবিতা ভাল পাই,
যি সকলে কয়
লিখি যোৱা,
মই তেওঁলোকৰ কবি।
সেয়ে মই
কবি বুলি ভাবো,
পুৱাৰ সূৰ্যক নমস্কাৰ জনাই,
সৌন্দৰ্যৰ বৰ্ণনা কৰো,
আইৰ বুকুৰ বেথাৰ উপশমৰ
চেষ্টা কৰিব জানো,
মানুহৰ লগত কপততা নৰখাকৈ থাকিব জানো।
কাৰো অনিষ্ট নকৰাকৈ
আগবাঢ়ি যাব জানো।
নিজৰ অন্তৰৰ উপলব্ধি ব্যক্ত কৰিব জানো,
কবিতাৰ ৰস পান কৰিব জানো,
কেতিয়াবা কবিতা লিখিব জানো,
সেইসকলৰ বাবে যি মোৰ কবিতা ভাল পায়।
মই তেওঁলোকৰ কবি।

## আমি মানসিক ৰোগী

**হেৰম্ব নাথ**

আমি প্ৰত্যেকেই যেন
একো একোজন মানসিক ৰোগী
সকলোৱে ব্যস্ত কেৱল নিজক প্ৰচাৰ কৰাত।
আচলতে, আত্মপ্ৰচাৰ প্ৰৱণতা
এটা মানসিক ৰোগ।
যাক অভিহিত কৰিব পাৰি
নাৰ্চিছিষ্টিক চৰিত্ৰ বুলি।
নিজক প্ৰচাৰ কৰি আমি পাওঁ কি?
বৰং পৰিচয় দাঙি ধৰোঁ
গুণীজনৰ সমুখত
অন্তঃসাৰশূন্য ব্যক্তিত্বৰ অধিকাৰী বুলি।
আমি পৰিচয় বিহীন
একো একোগৰাকী দুৰন্ত প্ৰেমিক
মাখোঁ নিজৰ প্ৰেমত পৰিছোঁ
ভুল নুবুজিব দেই
কিয়নো, সেয়া আত্মপ্ৰেম নহয়
নাৰ্চিছিষ্টিক চৰিত্ৰহে।
কেতিয়াবা নিজৰ লাজ লাগে
ছবিবোৰ দেখি (কিছুমান)
নিজক নাঙঠ কৰি দেখুৱাৰ প্ৰয়োজন ক'ত?
পৰিয়ালৰ উপভোগ্য বুলি
এযাৰ কথাও আছে
যিটো তাহানিৰ পৰাই শুনি আহিছোঁ।
নিঃসন্দেহে আজি আমি
আধুনিকতাৰ কৰাল গ্ৰাসত পণ্য সামগ্ৰী।
সম্প্ৰতি আমি এখন অচিনাকি জগতৰ সন্ধানৰত
একো একোটা যন্ত্ৰ।
প্ৰকৃতাৰ্থত-
এয়া দুৰাকাংক্ষা নিজৰ আত্মাক কলুষিত কৰাৰ;
তদুপৰি বিকৃত অভীপ্সা।
সকলো বস্তুৰে অতিমাত্ৰা বেয়া
প্ৰকৃতিয়ে কষ্ট পায়।
তেজ-মঙহৰ শৰীৰ আমাৰ
কোন দিশে গতি কৰি আছোঁ বাৰু
যেন কোনো ঠিকনা নাই,
এটাই লক্ষ্য নিজক প্ৰচাৰ কৰা।
অশৰীৰী আত্মাই আজি অনুভৱ কৰিছে
সৃষ্টিকৰ্তাই আমাক সৃষ্টি কৰিছিল কিয়?
মই মানুহ সৃষ্টি কৰিছিলোঁ কিয়?
এয়া নিৰাশাৰ হুমুনিয়াহ নহয়নে?

ম'বাইল ঃ ৭০০২৭-৯৭৫৪০

## আইৰ টিন পেৰা

**সত্যজিৎ গগৈ,** জখলাবন্ধা

ওপজাৰ পিছৰ পৰাই দেখি আহিছোঁ
এলান্ধুৰে ভৰা মোৰ আইৰ এটি টিন পেৰা
হয়তো সি মোতকৈ বয়সত ডাঙৰ
পিতাইৰ সমান নহ'লেবা আইতকৈ বেছি
কেতিয়াবা ভাৱ হয় যেন টিনৰ পেৰাটোৰেই মোৰ জীৱ।
আই নোহোৱা হোৱাৰ পিছত
সোতৰ বছৰ বয়সত এদিন পেৰাটো খুলিলোঁ
মোৰ দুচকুৰে বাগৰি আহিল বাৰিষাৰ জীয়া ঢল
সৰু সৰু কাণ ঢকা টুপিবোৰ
আইৰ হাতেৰে গুঠি ওম দিয়া চুৰেটাৰবোৰ
তাঁতশালত খিটিক খাটাক কৰি বোৱা
হালধীয়া ৰঙৰ হাত দীঘল চোলাবোৰ
আৰু পিতাইয়ে কান্ধত লোৱা এখন মলিয়ন গামোছা।
এযোৰ কাঁহৰ কাঁহি-বাটি আৰু এটা ঘটি
পেৰাটোৰ একেবাৰে তলৰ একোণত
হয়তো মোৰ ওপজা দিনত অথবা মোমাই ভাত খোৱাৰ দিনা উঠিছিল
আইয়ে ইয়াত এনেদৰে সাঁচি ৰখাৰ কাৰণেইবা কি।
এতিয়া সেই টিনৰ পেৰাটো
মোৰ বাবে সংস্কৃতিৰ বৰঘৰ
প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কঢ়িয়াই লৈ ফুৰা
আইৰ দুহাতৰ সুকোমল পৰশ
আজিও একেদৰেই আছে
যিদৰে মোৰ আইয়ে এৰি থৈ গৈছিল
শুৱনি কোঠাৰ দুৱাৰ চুকৰ একাষত।

ম'বাইল ঃ ৭৩৯৯৬-৬২৮৬৭

## সাৰথি

**প্ৰভাত বণিয়া**

দিনক দিনে বাঢ়ি অহা অসহনশীলতা ভেঙুচালী, ককৰ্থনা, কটাক্ষ
গুৰু গোঁসাই নমনা অস্থিৰ পৰিৱেশ ধামখুমীয়া মানসিকতা
ভূলুণ্ঠিত হয় ব্যক্তি আৰু ব্যক্তিত্বৰ মান মৰ্যদা।
হে আমাৰ অনাগত ভৱিষ্যতৰ প্ৰজন্ম তোমাৰ বাবেই আৰতি কৰো দিন-ৰাতি,
গতাই দিব খোজো তোমাক আমাৰ অন্তৰাত্মা স্থাৱৰ অস্থাৱৰ সমস্ত সা-সম্পত্তি
পৃথিৱী সুৰক্ষাৰ আজীৱন দায়িত্ব
তোমাতে অৰ্পণ কৰিব খোজো
তুমি সাহসী সবল দূৰদৃষ্টি সম্পন্ন সুপুৰুষ
নিৰহংকাৰী সুন্দৰতাৰ প্ৰতীক পোহৰাই তুলিবা
পংকিলতাত আছন্ন গৰ্বিত মানুহৰ অন্ধকাৰ কুঠৰী
তুমি আমাৰ বহু যুগৰ আৰাধনাৰ ফচল
জীৱনৰ দিগদ্ৰষ্টা
যাত্ৰা পথৰ
অন্তিম সাৰথি
থৈ যাম তোমাৰ হাততে আমাৰ সঞ্চিত
চিৰ জ্যোতিষ্মান স্মৃতি বৈভৱ।

## বাট নাচাওঁ আৰু

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

মোৰ কবিতাই কেতিয়াবা
তোমাক অনুভৱি কৰি তোলেনে?
কবিতাৰ শব্দত বাৰু কোনোবাদিনা
নিজকে বিচাৰি চোৱা নে?
সুধিবৰ মন যায় জানা
তোমাৰ অসীম প্ৰেমৰ ঠিকনাত
মইও আছোঁ নে?
সাগৰ দৰে গভীৰ হৃদয়ত
মোৰ বাবে অকণমান মৰম আছে নে?
শুনিবৰ মন যায়
তোমাৰ সুমধুৰ কণ্ঠত
মোলৈ থকা হেঁপাহৰ আকুলতাবোৰ,
সুৰ পালেই মৰমৰ নদী হৈ বৈ যাম
তোমাৰ সুকোমল অন্তৰলৈ
বাট নাচাওঁ আৰু তোমাৰ অনুমতিলৈ
তোমাৰ অনুমতিলৈ।

## বৈ গ'ল নিসংগতাৰ নৈ

**অনুপমা ৰাজখোৱা,** কলিয়াবৰ

ভবাৰ দৰে যদি সকলো হ'লহেঁতেন
নোপোৱাৰ বেদনা কি
উপলব্ধি কৰিব পাৰিলোহেঁতেন
কি পালো কি হেৰুৱালো
ডেউকা বিহীন হৈ
জীৱনৰ সৈতে যুঁজি যুঁজি
অমানিশাৰ কুঁৱলী ফালি
তেজস্ৰী অশ্ৰুৰ ধাৰাৰে
বৈ গ'ল নিসংগতাৰ নৈ
শিলে শিলে ঠেকা খাই
সৃষ্টি হোৱা স্মৃতিবোৰ
ৰোমন্থন কৰি
কুঁৱলীৰ টোপালবোৰ চৌদিশে সিঁচৰিত হৈ পৰিছে
সেউজীয়া ধাননী পথাৰত স্নান হৈ শীতৰ সেতু বান্ধিছে
তেনেকৈয়ে পাৰ হৈ গ'ল
দোপাল-পিটা বৰষুণ এজাক
পিৰালীৰ মুখত বহি
মাখোঁ আকাশলৈ চায় ৰ'লো
ৰ'দ এচেৰেঙাৰ বাবে।

ম'বাইল ঃ ৯১০১২-৮৯২৭৩

*প্ৰথম পৃষ্ঠাৰ পৰা*

## অসম আৰক্ষী আৰু গৃহ বিভাগত ৫,৮১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

হৈ নাথাকে আৰু প্ৰত্যেক বছৰত বিভাগকেইটাত খালী হোৱা পদৰ বিপৰীতে যাতে লগে লগে নিযুক্তি দিয়া হয় তাৰ ব্যৱস্থা কৰা হয়। অসম আৰক্ষীক নতুনকৈ চাৰিটা কামাণ্ডো বেটেলিয়ন, এটা ফৰেষ্ট বেটেলিয়ন আৰম্ভ কৰাৰ বাবে দিয়া পৰামৰ্শৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে অসম আৰক্ষীত নিকা নিযুক্তি হোৱাত অসমৰ যুৱক-যুৱতীসকলে কষ্ট কৰিবলৈ আৰম্ভ কৰিলে আৰু ফলত তেওঁলোকৰ বহু সংখ্যকে অসম আৰক্ষীৰ লগতে চি আৰ পি এফ, বি এছ এফ, সেনা আদিত নিযুক্তিৰ বাবেও যোগ্য হয়। অসমৰ গ্ৰামাঞ্চলত নতুন পৰিৱেশৰ সৃষ্টি হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া গাঁৱত যুৱক-যুৱতীয়ে চাকৰিৰ বাবে দৌৰিবলৈ চৰকাৰৰ পৰা ষ্টেডিয়াম বিচাৰে। এই পৰিৱৰ্তিত পৰিৱেশত এখন নতুন অসমৰ সপোন দেখা বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কঠোৰ শ্ৰম কৰি নিযুক্তি পোৱাসকলক একোগৰাকী আদৰ্শ যুৱক-যুৱতী বুলি অভিহিত কৰি আন দহজনক কষ্ট কৰাৰ বাবে অনুপ্ৰাণিত কৰিবলৈ তেওঁলোকক আহ্বান জনায়। তেওঁ কয় যে অতি সোনকালে নতুনকৈ ৫ হেজাৰ কনিষ্টবল পদত নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ পাব। এটকাও নিদিয়াকৈ চাকৰি পোৱা নৱ-নিযুক্ত যুৱক-যুৱতীসকলক দুৰ্নীতিক প্ৰশ্ৰয় নিদিবলৈ পৰামৰ্শ দি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা পাঁচ বছৰত নিযুক্তি পোৱাসকলৰ বিৰুদ্ধে দুৰ্নীতিৰ কোনো অভিযোগ নাই। খেতিয়ক, পাচলি বেপাৰী, ৰিক্সা চালকৰ দৰে কম আয় কৰা পিতৃ-মাতৃৰ সন্তান হৈয়ো নিজৰ মনোবল আৰু কষ্টৰ বিনিময়ত চাকৰি পোৱা যুৱক-যুৱতীসকলক সমাজৰ দৰিদ্ৰ লোকসকলৰ প্ৰতি সদায় সদয় হবলৈ আহ্বান জনায়। তেওঁ নৱ-নিযুক্তসকলক কাৰোবাৰ পৰিয়ালে যদি অৰুণোদয় লাভ কৰি আছিল সেয়া ত্যাগ কৰিবলৈ, আৰক্ষীৰ দৰে প্ৰত্যাহ্বানেৰে ভৰা এটা চাকৰিত যোগদানৰ পূৰ্বে ঘৰৰ ওচৰৰ মন্দিৰ, নামঘৰত সেৱা জনাবলৈ আৰু পিতৃ-মাতৃক কেতিয়াও অৱহেলা নকৰিবলৈ আহ্বান জনায়। শৃংখলাবদ্ধতা, পাৰদৰ্শিতা, গোচৰৰ অনুসন্ধানত বহু অগ্ৰগতি লাভ কৰা অসম আৰক্ষীক নতুন ফৌজদাৰী আইন ৰূপায়নৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে শীৰ্ষ স্থান দিয়াৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নিয়মীয়া নিযুক্তিও অসম আৰক্ষীৰ সফলতাৰ এটা অন্যতম কাৰণ। আইন-শৃংখলা নিয়ন্ত্ৰণ, গোচৰৰ অনুসন্ধানৰ বাবে আৰক্ষীত পৰ্যাপ্ত বিষয়া-কনিষ্টবল থকা হেতুকে অসমত শান্তিপূৰ্ণ পৰিৱেশ গঢ়ি উঠিছে। বিগত পাঁচ বছৰত অসম আৰক্ষীয়ে লোৱা নিৰ্ণায়ক পদক্ষেপৰ বাবে অসমত অপৰাধৰ হাৰ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনত পঞ্জীকৃত গোচৰৰ সংখ্যা ২০২০ চনত ১.২১ লাখৰ পৰা ২০২৪ চনত ৫০ হেজাৰলৈ হ্ৰাস পাইছে। অপৰাধৰ হাৰ প্ৰতি লাখ জনসংখ্যাৰ বিপৰীতে ২০২১ চনত ৩৭৯ ৰ পৰা ২০২৫ চনৰ মাৰ্চ মাহত ১২৮ লৈ হ্ৰাস পাইছে। নিষ্পত্তি নোহোৱা গোচৰ ২০২১ চনত ১.৩৩ লাখৰ পৰা ২০২৪ চনত ১৪ হাজাৰলৈ কমিছে। অভিযোগনামাৰ হাৰ ২০২০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ৪৭.৮ শতাংশৰ পৰা ৬৬.৭ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে অপৰাধ সাব্যস্তকৰণৰ হাৰ চাৰি গুণ বৃদ্ধি হৈ ২২.৯ শতাংশ হৈছেগৈ। মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ উল্লেখনীয়ভাৱে কমিছে। এনে অপৰাধৰ গোচৰ ২০২০ চনত ২৬, ৩৫২ টাৰ পৰা ২০২৪ চনত ৫,৫৫৫ টা লৈ হ্ৰাস পাইছে। অনুষ্ঠানত শ্ৰমিক কল্যাণ, গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক অতুল বৰা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, অসম আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## যমুনামুখত নৱনিৰ্মিত ৰে'লৱে উৰণ সেতু আনুষ্ঠানিকভাৱে উদ্বোধন মুখ্যমন্ত্ৰীৰ

যমুনামুখ অঞ্চলত বানৰ সমস্যা দূৰীকৰণৰ বাবে জলসম্পদ বিভাগে প্ৰায় ৮০ কোটি টকা ব্যয় সাপেক্ষে পদক্ষেপ গ্ৰহণ কৰিছে আৰু মথাউৰিসমূহ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে অঞ্চলবাসীয়ে প্ৰতিবছৰে সন্মুখীন হৈ অহা বানপানীৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হ'ব। বঢ়মপুৰ সমষ্টিৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি তেওঁ কয় যে কিছুদিন পূৰ্বে চাপৰমুখ, কামপুৰত উৰণ সেতু নিৰ্মাণ সম্পূৰ্ণ কৰি উদ্বোধন কৰা হৈছে। তদুপৰি সমষ্টিটোত প্ৰায় ৩৫০ কোটি টকা ব্যয়ৰে বাট-পথ, ষ্টেডিয়াম নিৰ্মাণৰ কাম সম্প্ৰতি পূৰ্ণ গতিত চলি আছে। সভাত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাৰ পূৰ্বে অসমত উন্নয়নমূলক কাম-কাজ যথেষ্ট স্তিমিত হৈ আছিল। তদুপৰি ৰাজ্যৰ দুখীয়া-দৰিদ্ৰ শ্ৰেণীৰ জনসাধাৰণে আঁচনিসমূহৰ পৰা ভালদৰে উপকৃত হ'ব পৰা নাছিল। কিন্তু বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আঁচনি, প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা, ৰেচন কাৰ্ডৰ জৰিয়তে বজাৰতকৈ কম দৰত দাইল, চেনী, নিমখ প্ৰদান আদিকে ধৰি বিভিন্ন আঁচনি তথা পদক্ষেপসমূহৰ জৰিয়তে দুখীয়া-দৰিদ্ৰ তথা মধ্যবিত্ত জনসাধাৰণে যথেষ্ট সকাহ লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে দুখীয়া-দৰিদ্ৰ তথা মধ্যবিত্ত জনসাধাৰণক সকাহ প্ৰদানৰ উদ্দেশ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ সমান্তৰালকৈ চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে পূৰ্বতে বিদ্যালয় একোখনৰ আন্তঃগাঁথনি উন্নয়নৰ নামত কেইলাখমান টকাহে প্ৰদান কৰা হৈছিল। ইয়াৰ বিপৰীতে বঢ়মপুৰ সমষ্টিত আজি শিলান্যাস কৰা বিদ্যালয় দুখনৰ নতুন ভৱন নিৰ্মাণৰ বাবদ প্ৰতিখনতে ৬ ৰ পৰা ৮ কোটি টকা ব্যয় হ'ব। চাপৰমুখ, কামপুৰ, যমুনামুখ, হোজাই, লামডিং আদি অঞ্চলতো যে উৰণ সেতু নিৰ্মাণ হ'ব সেয়া কিছুদিনৰ আগলৈকে কোনেও কল্পনা কৰিব পৰা নাছিল বুলিও তেওঁ কয়। এই সভাত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক জিতু গোস্বামী, উত্তৰ পূৰ্ব সীমান্ত ৰে'লৱেৰ প্ৰধান মুখ্য ব্যৱসায়ীক প্ৰৱন্ধক নীৰজ সাহায়, লামডিং মণ্ডলৰ অতিৰিক্ত মাণ্ডলিক ৰে'ল প্ৰৱন্ধক এম কে সিঙকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি তথা শীৰ্ষ বিষয়া উপস্থিত থাকে।

## তেলেংগানাৰ পৰা অসম ভ্ৰমণলৈ অহা সংবাদ মাধ্যমৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

দলটোক কয়। নিযুত মইনা আঁচনি, উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ বিনামূলীয়া নামভৰ্তি, নৱম শ্ৰেণীৰ ছাত্ৰীৰ বাবে চাইকেল বিতৰণ আদি পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰি ৰাজ্যখনত কন্যা শিশুসকলৰ বাবে শিক্ষাৰ সুযোগ-সুবিধা বৃদ্ধি কৰাতো নিশ্চিত কৰা সন্দৰ্ভত বৈঠকত তেওঁ জানিব দিয়ে। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু গৌৰৱময় ইতিহাসৰ বিষয়ে প্ৰতিনিধি দলটোক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে শক্তিপীঠ কামাখ্যাৰ বন্দিত ঐতিহ্যৰ বিষয়ে বৈঠকত কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য ব্যাখ্যা কৰে। কেইবাদশকজুৰি ৰাজ্যখনত অব্যাহত থকা অশান্ত জৰ্জৰ পৰিৱেশৰ অৱসান ঘটাই শাসনাধিস্থিত চৰকাৰখনে ৰাজ্যখনত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰি উন্নয়ন আৰু বিকাশৰ এক নতুন দিগন্ত সূচনা কৰা বুলি তেওঁ মন্তব্য কৰে। স্বাস্থ্য খণ্ডত অব্যাহত থকা উল্লেখনীয় সফলতাৰ বিষয়ে অৱগত কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত 'এক জিলা, এক চিকিৎসা মহাবিদ্যালয়' নীতি ৰূপায়ণত লাভ কৰা সফলতাৰ ছবিখনো প্ৰতিনিধি দলটোৰ সন্মুখত দাঙি ধৰে। তেওঁ কৰ্কট ৰোগ চিকিৎসালয় স্থাপন, পথ-যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ আদি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বিষয়ে বৈঠকত সদৰী কৰে। অসমৰ ঐতিহ্যপূৰ্ণ কলা-সংস্কৃতিৰ লগতে বিকাশ আৰু উন্নয়নৰ প্ৰতিচ্ছবি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দাঙি ধৰাৰ আগ্ৰহ প্ৰকাশেৰে অসম ভ্ৰমণলৈ অহা তেলেংগানাৰ সংবাদ মাধ্যমৰ প্ৰতিনিধি দলটোক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। এই মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিৱেদী, তথ্য আৰু জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ আয়ুক্ত সচিব কুমাৰ পদ্মপাণি বৰা, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্তি সঞ্চালক প্ৰধান কৃপা শংকৰ যাদৱ, তথ্য আৰু জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ সচিব তথা তথ্য আৰু জনসংযোগৰ সঞ্চালক মানবেন্দ্ৰ দেৱ ৰায়, যুটীয়া সচিব তথা জনসংযোগৰ অতিৰিক্ত সঞ্চালক এমিলী বৰুৱা প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

# চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ শুভাৰম্ভণি

### চৰাইদেউ, মাজুলী, শিৱসাগৰ, গোলাঘাট আৰু যোৰহাটৰ ১০০ গৰাকী জ্যেষ্ঠ ব্যক্তিয়ে উত্তোলন কৰিলে ১০০ খন পতাকা




**ৰমেন ভৰালী, বংশৰ ঃ** যোৰহাট জিলা পুথিভঁৰাল প্ৰাংগণত প্ৰথম দিনা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱত অসমৰ বিভিন্ন স্থানৰ পৰা আহি অংশগ্ৰহণ কৰে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকসকলকে ধৰি অন্যান্য অতিথিসকলৰ অংশগ্ৰহণত উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰিছে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদ। সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়ামতে ২ ডিচেম্বৰত প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৮.৪৫ বজাত অসম সাহিত্য সভাৰ পবিত্ৰ পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কাৰ্যসূচীত যোৰহাট, চৰাইদেউ, শিৱসাগৰ, মাজুলী আৰু গোলাঘাটৰ প্ৰায় ১০০ গৰাকী বয়োজ্যেষ্ঠ নিৰ্বাচিত ব্যক্তিয়ে পতাকা উত্তোলন কৰে। মূল সভাৰ পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। পতাকা উত্তোলন কৰি তেওঁ কয় যে অতীতৰ ঐতিহ্যক ৰোমন্থন কৰিলে হনুমন্তিয় শক্তি লাভ কৰিব পাৰি। চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদত উত্তোলিত হোৱা এই পতাকা উত্তোলন কাৰ্যসূচীত স্থানীয় স্বেচ্ছাসেৱী সংগঠন হেঁপাহৰ ১০০ গৰাকী সদস্যাৰ দ্বাৰা পৰিৱেশিত হয় অসম সংগীত। সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত ৰচিত সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...' যোৰহাট জিলা সাহিত্য সভাৰ ১০০ গৰাকী সদস্য-সদস্যা শিল্পীৰ দ্বাৰা পৰিৱেশন কৰাৰ লগতে বিশ্বনাথ জিলাৰ ধ্ৰুৱজ্যোতি ৰাজখোৱাই ৰচনা কৰা 'চন্দ্ৰকান্ত' নামৰ শীৰ্ষক গীতটোও ১০০ গৰাকী মহিলাই পৰিৱেশন কৰে। ঐতিহাসিক চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱত পতাকা উত্তোলন কৰে ক্ৰমে- মণিৰাম লাহন, পূৰ্ণীমা শৰ্মা, অৱনীকুমাৰ চেতিয়া, জয়শ্ৰী শইকীয়া, কবিতা তাছা, গোপাল মহন্ত, মানিক মহন্ত, দীপ্তি বুঢ়াগোহাঞিঙ, লক্ষিমী দলৈ, নীৰদা গগৈ বৰা, ভানু বৰা হাজৰিকা, কৃষ্ণ বাহাদুৰ ছেত্ৰী, নৱমল্লিকা বৰা, ৰমানন্দন বৰা, ড° কুলেন দাস, ড° অঞ্জনকৃষ্ণ শৰ্মা, ৰূপা নেওগ হাজৰিকা, নৰেন চন্দ্ৰ বৰা, ড° দিপালী খাৰঘৰীয়া, বিদ্যুৎ ভূষণ বৰা, যুগল কিশোৰ আগৰৱালা, পূণ্য দেৱী, ডাঃ ৰূপাঞ্জলি ফুকন, অষ্টমী দত্ত, বৰ্ণালী শইকীয়া বৰা, লখিমী খাৰঘৰীয়া, বাবুলাল গগৰ, পাৰভিজ হুছেইন, বন্তি মহন্ত, মনোৰঞ্জন ভঁড়ালী, মৃণালিনী গোস্বামী, ৰঞ্জিৎ ভূএগা, জোনা দত্ত, জিনামণি গগৈ নেওগ, ড° অঞ্জন শইকীয়া, গোপাল গোস্বামী, ড° বিপিন খঁডীয়া, নিহাৰিকা শইকীয়া, ড° লক্ষীকান্ত হাজৰিকা, হেমচন্দ্ৰ শইকীয়া, প্ৰতাপচন্দ্ৰ বৰুৱা, ডাঃ চন্দ্ৰ বৰা, ডাঃ বলীন খাৰঘৰীয়া, ডাঃ ভক্তিময় ভট্টাচাৰ্য, মীৰা বৰুৱা, ডাঃ কৃপাল কুমাৰ শৰ্মা, নিপুল চন্দ্ৰ বৰা, ভৱেন পূজাৰী, মহেন্দ্ৰ বৰঠাকুৰ, ডাঃ গোলাপ ডেকা, বিজয় বৰঠাকুৰ, সৰ্বেশ্বৰ বৰা, পবিত্ৰপ্ৰাণ ভট্টাচাৰ্য, মাণিক গগৈ, অমিতাভ বৰুৱা, অৰুণা খাটনিয়াৰ, ইলা মহন বুঢ়াগোহাঁই, ব্ৰজেন দাস, বিজয়কৃষ্ণ দত্ত, জীৱন কলিতা, মৃণাংক শইকীয়া, দেবযানী মহন্ত, বন্তি বৰা, তফজ্জুল হক বৰবৰা, সুৰেন্দ্ৰ মোহন হাজৰিকা, পবিত্ৰ বৰবৰা, মুহিৰাম লইং, পুৰঞ্জয় গোস্বামী, গুণেন বৰা, দন্দি বৰা, ড° যতীন নাথ, নৰেন শইকীয়া, মুকুট বৰগোহাঁই, বীৰেণ চেতিয়া, সুনন্দ বৰগোহাঁই, ভাস্কৰ ভাজনী, বলোৰাম খনিকৰ, পাপৰি গগৈ বুঢ়াগোঁহাই, বীণা চেতিয়া, হেমন্ত গগৈ, প্ৰফুল্ল কুমাৰ বৰুৱা, খগেন হাজৰিকা, প্ৰণৱজিৎ মিশ্ৰ, সঞ্জীৱ বৰা, ৰামসাগৰ নাথ, প্ৰভাত বৰা বুঢ়াভকত, অনুপ্ৰভা দেৱী, সুভদ্ৰা বৰা শইকীয়া, ক্ষীৰোদ দাস, মুকুল হাজৰিকা, শ্যামলিমা বৰা, মাধৱ মহন্ত, নৱকুমাৰ বৰা, ড° সীমান্ত বৰুৱা, জেউতি বৰা ভূএগা, নীলিমা শৰ্মা, পৰাণ বৰুৱা, ৰমেন শইকীয়া, হেমেন শইকীয়া আৰু মানিকচন্দ্ৰ বৰাই। ইফালে পুৱা স্মৃতি তৰ্পণ কাৰ্যসূচীত যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ হাজৰিকা আৰু প্ৰাক্তন সভাপতি নলিনীবালা হাজৰিকাই মুখ্য তৰ্পক হিচাপে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্যসকলৰ লগতে বিভিন্ন আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকসকল, সাংগঠনিক সম্পাদকসকল, জিলা প্ৰতিনিধিসকল, বিভিন্ন উপসমিতিৰ কাৰ্যকৰী সভাপতি আৰু আহ্বায়কসকলে অংশগ্ৰহণ কৰে। পুৱা ১০ বজাত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ লগত বড়ো সাহিত্য সভা সভাপতি ড° সুৰথ নাৰ্জাৰী, দেউৰী সাহিত্য সভাৰ সভাপতি ড° ষড়ানন দেউৰী, কাৰবি সাহিত্য সভাৰ সভাপতি কামসিং হান্সে, নেপালী সাহিত্য সভা, অসমৰ সভাপতি ড° চিন্তামণি শৰ্মা, তিৱা সাহিত্য সভাৰ সভাপতি হৰসিং খলাৰ, তিৱা সাহিত্য সভাৰ সভাপতি মাথানলাই তথ্ৰা, শৰণীয়া কছাৰী সাহিত্য সভা, অসমৰ সভাপতি সোণবৰ বৰুৱা, সোণোৱাল কছাৰী সাহিত্য সভা, অসমৰ সভাপতি মোহন সোণোৱাল, নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, অসমৰ সভাপতি দিলস লক্ষীন্দ্ৰ সিং, মটক সাহিত্য সভা, অসমৰ সভাপতি তৰুণ কুমাৰ গগৈ, মৰাণ সাহিত্য সভা, অসমৰ সভাপতি ৰবীন মৰাণৰ লগতে কেইবাহাজাৰোধিক সাহিত্যপ্ৰেমীৰ অংশগ্ৰহণত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই সকলোকে মোহিত কৰে। ইয়াৰ পিছতে দুপৰীয়া ১২-৩০ বজাৰ পৰা অসম সাহিত্য সভাৰ আজীৱন, হিতৈষী আৰু পৰম হিতৈষী সভ্যৰ সম্মিলন সভাপতি বসন্তকুমাৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত হয়।

সত্যমেৱ জয়তে
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ



## খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ

ডিচেম্বৰ ২০২৫ত

# অন্ন সেৱা দিন

১ - ১০ ডিচেম্বৰ



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে
বিনামূলীয়া চাউলৰ লগতে বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী

## ‘প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা’ ৰ অধীনত বিনামূলীয়া চাউল

- ‘অন্ত্যোদয়া অন্ন যোজনা’ ৰ অধীনস্থ প্ৰতিটো পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল
- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল

## প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ১ কিঃগ্ৰাঃ কৈ বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী



মচুৰ দাইল
৬৯ টকা
(প্ৰতি কিঃগ্ৰাঃ)



চেনি
৩৮ টকা
(প্ৰতি কিঃগ্ৰাঃ)



নিমখ
১০ টকা
(প্ৰতি কিঃগ্ৰাঃ)

উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৭০ লাখৰো অধিক

### সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ আৰু সজাগতা সৃষ্টি কৰা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীয়ে লাভ কৰা সামগ্ৰীৰ বিপৰীতে e-POS মেচিনৰ ৰচিদ প্ৰদান কৰা

### হিতাধিকাৰীলৈ আহ্বান

- প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক পৃথককৈ e-POS মেচিনৰ জৰিয়তে বায়’মেট্ৰিক প্ৰমাণীকৰণ জৰুৰী
- সামগ্ৰী সংগ্ৰহৰ বিপৰীতে e-POS মেচিন সৃষ্ট ৰচিদ গ্ৰহণ কৰিবলৈ নাপাহৰিব

যিকোনো অভিযোগৰ ক্ষেত্ৰত জিলা/সমজিলা/মহকুমাৰ বিভাগীয় কৰ্তৃপক্ষ অথবা টোল ফ্ৰী নম্বৰ:
১৮০০-৩৪৫-৩৬১১ আৰু ১৯৬৭ (BSNL গ্ৰাহক) ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 3314/25/5-December-25

# শিশু-সাহিত্যৰে সমৃদ্ধ পৰেশ বৈশ্য ৰচনাৱলী উন্মোচন



**প্ৰবীণ কুমাৰ দাস ঃ** বিশিষ্ট লেখক-সাংবাদিক, শিক্ষাবিদ পৰেশ বৈশ্যৰ আঠটা খণ্ডত প্ৰকাশ পাব লগা নিজস্ব ৰচনাসমূহৰ দ্বিতীয় খণ্ডটো ১ ডিচেম্বৰত গুৱাহাটীৰ পশ্চিম বৰাগাঁও হাউছফেড হাউছিং কমপ্লেক্সত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি পৰেশ বৈশ্যই কয় যে 'পৰেশ বৈশ্য ৰচনাৱলী'ৰ প্ৰথম আৰু দ্বিতীয় খণ্ড দুটা তেওঁৰ শিশু সাহিত্যৰ সম্ভাৰ। উন্মোচন হোৱা দ্বিতীয় খণ্ডটোত তেখেতৰ তেইশখন জীৱনী গ্ৰন্থ, ছয়খন আনন্দদায়ক গণিতৰ পুথি, এখন নীতিশিক্ষা বিষয়ক গ্ৰন্থ আৰু এখন শিশু উপযোগী অনুবাদ গ্ৰন্থ সংকলিত হৈছে। বৈশ্যই পেঞ্চনৰ ধনেৰে প্ৰকাশ কৰি উলিওৱা এই দ্বিতীয় খণ্ডটো অসমৰ এশটা নিৰ্বাচিত চৰকাৰী আৰু বেচৰকাৰী পুথিভঁৰালক উপহাৰ হিচাপে দিব। ৰচনাৱলীখন উন্মোচন কৰে বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° অৰূনী কুমাৰ ভাগৱতীয়ে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ড° ভাগৱতীয়ে কয় যে পৰেশ বৈশ্য অসমৰ বৌদ্ধিক সমাজত এটি সুপৰিচিত নাম। তেখেতে অসমৰ ভাষা, সাহিত্য, সংস্কৃতি, শিক্ষাৰ ক্ষেত্ৰখনত ভালেমান কাম কৰিছে। তেখেতৰ পাঠ্যপুথিৰ জৰিয়তেও অসমৰ ছাত্ৰসমাজৰ মাজত তেখেত ভাল চিনাকি। পৰেশ বৈশ্য ৰচনাৱলীত সন্নিৱিষ্ট গ্ৰন্থসমূহ ইয়াৰ জৰিয়তে বহুদিনলৈ সংৰক্ষিত হৈ থাকিব বুলি তেখেতে আশা প্ৰকাশ কৰে। সভাত ভাষণ দি পৰেশ বৈশ্য ৰচনাৱলীৰ সম্পাদক তথা বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° দয়ানন্দ পাঠকে কয় যে পৰেশ বৈশ্যৰ বৌদ্ধিক আৰু শৈক্ষিক ক্ষেত্ৰৰ পৰিকল্পনাই আমাৰ বহুতকেই বিশেষকৈ গ্ৰন্থ সংৰক্ষণৰ হকে অনুপ্ৰাণিত কৰে। তেওঁ কয় যে গ্ৰন্থ ৰচনাৰ লগতে বিজ্ঞানসন্মতভাৱে গ্ৰন্থ সংৰক্ষণো সমানে গুৰুত্বপূৰ্ণ। ৰচনাৱলী প্ৰকাশৰ জৰিয়তে বৈশ্যই বৌদ্ধিক সাধনাসমূহৰ সংৰক্ষণৰ উচিত ব্যৱস্থা লোৱা বুলি তেখেতে মত পোষণ কৰে। গ্ৰন্থখনৰ উন্মোচনী সভাত ভাগ লৈ যশস্বী চলচ্চিত্ৰ অভিনেত্ৰী তথা কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক -ছাত্ৰী জেৰিণা বৰুৱাই কয় যে পৰেশ বৈশ্যই বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰখনলৈ যি অনবদ্য অৰিহণা যোগাইছে সি চিৰযুগমীয়া হৈ থাকিব। তেওঁ কয় যে নতুন প্ৰজন্মই পৰেশ বৈশ্যৰ কৰ্মৰাজিৰ পৰা বহুতো শিকিবলগীয়া আছে। সভাত ভাষণ দি 'অসমীয়া বৰ্তমান' কাকতৰ সম্পাদক প্ৰবীণ ঠাকুৰীয়াই কয় যে তৰুণ মনৰ ব্যক্তি পৰেশ বৈশ্য নিজেই এখন চলন্ত অভিধানৰ দৰে। অতি অধ্যয়নপুষ্ট ব্যক্তি হোৱা বাবেহে তেখেতে অসমীয়া ভাষা-সাহিত্যৰ ভালেমান দিশত বিচৰণ কৰিবলৈ সমৰ্থ হোৱা বুলি তেখেতে মন্তব্য কৰে। অনুষ্ঠানত পৰেশ বৈশ্য ফাউণ্ডেচনৰ ন্যাসৰক্ষী পূৰ্ণিমা দাস বৈশ্য প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অচিনাকি

**■ ৰশ্মি ৰেখা দুৱৰা**

মহাবিদ্যালয়ৰ প্ৰথম দিন। বিদ্যাশ্ৰীৰ মনত আনন্দৰে উপচি পৰিছে। বান্ধৱী আশাৰ লগত একেলগে দুয়োজনী মহাবিদ্যালয়ৰ অভিমুখে যাত্ৰা কৰিছে। মহাবিদ্যালয়লৈ ১০০ মিটাৰমান বাট থাকোঁতে এজন ব্যক্তিয়ে মাত লগালে।
ঃ আজি মহাবিদ্যালয়ত তোমালোকৰ প্ৰথম দিন। শুভকামনা জনাইছোঁ।
ঃ অশেষ ধন্যবাদ জনাইছোঁ আপোনাক।

ধন্যবাদ জনাই আগবাঢ়ি গ'ল। ইজনীয়ে আনজনীক চিনি পায় মাত লগালে বুলি ভাবিলে। কিন্তু দুয়োজনীৰে চিনাকি ব্যক্তি নহয়। মহাবিদ্যালয়ত থকাৰ সময়তো ৰাস্তাত মাত লগোৱা ব্যক্তিজন কেণ্টিনৰ পৰা ওলাই অহা দেখা পালে বিদ্যাশ্ৰীয়ে।

ব্যক্তিজনৰ মাতটো আগতে ক'ৰবাত শুনা শুনা লাগিছে। ঘৰত আহি বিদ্যাশ্ৰীয়ে মনত পেলাবলৈ বহুবাৰ চেষ্টা কৰিছে। চেহেৰাটো চিনাকি চিনাকি লাগিল। ফটোৰ এলবামটো হাতত তুলি ল'লে, কিজানিবা মনত পৰেই। সপৰিয়ালে তোলা এখন ফটো চকুত পৰিল। দেউতা, সেইজনে মোৰ দেউতা আছিল নেকি? প্ৰশ্নটো মাকক সোধাৰ সাহস নহ'ল।






# উত্তৰ পেটবড়াত ৰাস মহোৎসৱ উদ্‌যাপনৰ সফল সামৰণি



**লক্ষ্যজ্যোতি বৰা ঃ** ৰহাৰ উত্তৰ পেটবড়া শংকৰ মাধৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু বন্তি পুথিভঁৰালৰ উদ্যোগত আৰু ৰাস উদ্‌যাপন সমিতিৰ সহযোগত যোৱা ২৯ আৰু ৩০ নৱেম্বৰ তাৰিখ শনিবাৰ আৰু দেওবাৰে পেটবড়া মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ উণ্‌যাপনৰ সফল সামৰণি পৰে। কাৰ্যসূচী অনুসৰি ২৯ নৱেম্বৰত পুৱা ৬ বজাত পুৱা প্ৰসংগ, ৮ বজাত ভাগৱত পাঠ, ১০ বজাত খোল প্ৰসংগ, ১০-৩০ বজাত নাম-প্ৰসংগ, ১২ বজাত প্ৰসাদ বিতৰণ, ১ বজাত গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি ক্ৰমে - মণিৰাম বৰা, তীৰ্থ হাজৰিকা, পূৰ্ণকান্ত দাস, নৰেন্দ্ৰ বৰা, ডিম্বেশ্বৰ হাজৰিকা, লোচন দাস, তুলন চন্দ্ৰ দাস, হেমেন্দ্ৰ বৰা, গুণাৰাম দাস, ডিম্বেশ্বৰ দাস, সুৰেশ কাকতি, ভৱকান্ত দাসক বিশেষ সম্বৰ্ধনা, প্ৰশিক্ষক মোহন চন্দ্ৰ দাস আৰু ভোলাৰাম দাসৰ বিশেষ তত্ত্বাৱধানত গাঁৱৰ কণ-কণ যুৱকসকল ক্ৰমে- বিশ্বজ্যোতি দাস, কৃষ্ণমণি দাস, স্পন্দন শইকীয়া, বিকি দাস, দেৱাশীষ দাস, বাস্তৱ দাস, ভাৰ্গৱ প্ৰতীম দাস, প্ৰাণজিৎ দাস, বাস্তৱ দাস, ভাস্কৰজ্যোতি দাস, অপাংগ জ্যোতি দাস, মনোজ দাসকে ধৰি নতুনকৈ গঠন হোৱা গায়ন বায়নৰ দলটিক সম্বৰ্ধনা, ঘাঁহী গাঁও পঞ্চায়তৰ নৱনিযুক্ত সভানেত্ৰী মমতা দাস, ২ নং ৱাৰ্ডৰ সদস্যা বীনা দাস আৰু ৬ নং ৱাৰ্ডৰ সদস্যা ৰূপা বণিয়াৰ লগতে জিতু বণিয়া আৰু পাৰ্থপ্ৰতিম দাসকো বিশেষ সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া ৫ বজাত জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি বন্তি প্ৰজ্বলন কৰে গাঁৱৰ বয়োজেষ্ঠ ব্যক্তি, উত্তৰ পেটবড়া প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লৱ কুমাৰ দাস, গাঁৱৰ জ্যেষ্ঠ মহিলা, সমাজসেৱী সোনপা শইকীয়া, অৰ্চনা ভড়ালী, দীপালি বৰা, দেৱ কুমাৰ নাথ, বিজু দাস, দীপালি দেৱী শইকীয়া, পদ্মিনী দাস, ৰূপালী বণিয়া, ৰুপ্তী বৰা, টুটুমনি দাস, শ্ৰীমন্ত কুমাৰ দাস আৰু অনন্ত কুমাৰ দাসে। ৬ বজাত গায়ন বায়নৰ জোৰা আৰম্ভ হয়। নিশা ৮ বজাত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰাৰ পিছতে ৰাস মহোৎসৱ উদ্বোধন কৰে পেটবড়া অঞ্চলৰ এগৰাকী সংস্কৃতিৱান ব্যক্তি, বিশিষ্ট সমাজ সংগঠক জীৱন শইকীয়াই। ইয়াৰ পাছতে নিশা ৯ বজাৰপৰা সু-পৰিচালক ধনমণি দাসৰ পৰিচালনাৰে গাঁৱৰ জীয়ৰী-বোৱাৰীৰ দ্বাৰা "কেলিগোপাল নাট" মঞ্চস্থ কৰা হয়। ৩০ নৱেম্বৰত নিশা ৯ বজাত যশস্বী নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত সু-পৰিচালক প্ৰতাপ কুমাৰ নাথৰ পৰিচালনাত এখন মঞ্চসফল সামাজিক নাট "মহাত্মাৰ চকুপানী" নাটখনি উদ্বোধন কৰে ফুলগুৰি অঞ্চলৰ এগৰাকী যুৱ উদ্যোগী, শৰীৰ চৰ্চাবিদ ধৰ্মজিৎ নাথে। উল্লেখ্য যে যুৱ সাহিত্যিক লক্ষ্যজ্যোতি বৰাই সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানটিত সমূহ কাৰ্যসূচীৰ সফল ৰূপায়ণ হোৱাৰ বাবে শংকৰ মাধৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু বন্তি পুথিভঁৰালৰ সভানেত্ৰী সোনপা শইকীয়া, সম্পাদিকা দীপালি দেৱী শইকীয়া, ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ৰমেশ দাস, উপ-সভাপতি মন হাজৰিকা, সম্পাদক ভৰত কুমাৰ বৰা, সহ-সম্পাদক পৰাগ দাস আৰু বাবি দাসে সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা